পুৰণি অসমৰ শিল্প।

—★—

Industries of ancient Assam.

(All rights reserved)

By
Bhuban Chandra Handique B. A.

মূল্য ১৲টকা। Joysagar, 1959.

প্ৰকাশন পৰ্ষদ

—(০)—

বিভিন্ন বিষয়ৰ আৱশ্যকীয় গ্ৰন্থ প্ৰনয়ন সম্পাদন আৰু প্ৰকাশৰ ব্যৱস্থা কৰাৰ বাহিৰেও অসমৰ ন-পুৰণি গ্ৰন্থকাৰ সকলক গ্ৰন্থ প্ৰকাশত আৰ্থিক সাহায্য যোগোৱাৰ উদ্দেশ্যে অসম চৰকাৰে এখন প্ৰকাশন পৰ্ষদ্ (Publication Board) প্ৰতিষ্ঠা কৰে ১৯৫৮ চনৰ শেষ ভাগত। চলিত বছৰৰ পৰা প্ৰকাশন পৰ্ষদৰ কাম আৰম্ভ হৈছে।

শিশু সাহিত্য, বিজ্ঞান, দৰ্শন সাহিত্য, সংস্কৃতিৰ আলোচনা আদি বিভিন্ন বিষয়ৰ গ্ৰন্থ প্ৰনয়ন, অনুবাদ আৰু সম্পাদনৰ কাম বৰ্ত্তমান প্ৰকাশন পৰ্ষদে হাতত লৈছে। প্ৰকাশন পৰ্ষদৰ প্ৰথম প্ৰকাশ ৰূপে চক্ৰৱৰ্ত্তী ৰাজা গোপাল আচাৰীৰ মহাভাৰতৰ অসমীয়া অনুবাদ আৰু অসম ছাত্ৰ সন্মিলনৰ প্ৰথম অধিবেশনৰ পৰা চৈধ্যজনা সভাপতিৰ "ভাষন-মালা" অলপতে প্ৰকাশ হব।

ইয়াৰ বাহিৰেও প্ৰকাশন পৰ্ষদে প্ৰথম পৰ্য্যায়ত বিভিন্ন বিষয়ৰ সৰু বৰ একৈশ খন পুথি প্ৰকাশৰ বাবে গ্ৰন্থকাৰ সকললৈ আৰ্থিক সাহায্য আগ বঢ়াইছে।

"পুৰণি অসমৰ শিল্প" প্ৰকাশন পৰ্ষদৰ আৰ্থিক সাহায্য পোৱা পুথি সমূহৰ ভিতৰৰে এখন।

গুৱাহাটী
১৭/১২/৫৯

শ্ৰীবিশ্বনাৰায়ণ শাস্ত্ৰী
সচিব, প্ৰকাশন পৰ্ষদ
অসম, গুৱাহাটী।

658
A 19 Ru
District Library

Introduction.

The title of this book is " The Industries of ancient Assam ". But I have to refer to the mineral products, commerce, the building processes and from time to time to other historical incidents as the subject is necessarily connected with them.

The data and description of the various industries given here are collected from the various histories of the Ahom age compiled by Dr. S. K. Bhuyan. M. A. Ph. D. from the widely informative " Moniram Dewan " of Shri Benudhar Sarma, welknown historian, histories of the British and Muslim historians, articles published in different journals and informations received from many old peoples. In reality, the book is only a compilation of these data.

It has been many years since the book was written and but for the kindness of the State Publication Board of

Assam it could not have seen light even now. The author is ever grateful to the said Board.

It is an attempt in a brief survey of the old Industries existing in Assam from the pre-historic age. But mainly I have mentioned the numerous industries flourishing in the Ahom age, and also in the kingdoms of the Chutias, the Kacharies, the Koches, the Jaintias and the Monipuries. Certain informations regarding the crafts and handworks of these Kingdoms are found in the Ahom Buranjies. In those days both the kings and the peoples showed deep interest in industrial pursuits in our country. Different clans and villages found their names from the names of particular industries, and there were many departments and hundreds of officials to look after the growth of these industries.

The discussion has been opened with the Gold industry. An extensive description has been given of how gold

was being minted in certain rivers of Assam and what were made of that gold

In the reign of Swergadeo (king) Rajeswar Singha the Sonowalls (gold washers) Paiks brought an annual output of Seven thousnd tolas of Gold to the royal treasury. In addition to this, detials have been given of gold-works in buildings, Temples, Vaults (Maidams), and of commecre in gold. Moreover references have been made to the mints of Silver, copper, brass, lead, zinc, stone lime etc and their imports and exports

Iron and steel were found in many places in great quantities and numerous articles were prepared from them. The numerous cannons were made out of these iron & steel produced by the oars of Assam.

The supply of salt was limited and the country had to import it from outside. Brief discussion is made about trade in salt with the Europeans at that time. There were however many brine-pits in

old Assam and the demand was to some extent met by such indigenous supply.

In the Ahom age architecture attained a high degree of perfection due to a prosperous brick indusrry. A kind of very useful and dependable cement was obtained from a pulp of fish, pulses, molasses, sunhemp, resin, oil, stone and shell lime etc. It can be seen how this cement has stood the test of the centuries in the big " Maidams " (Vaults) buildings, temples and bridges in the stone-masonry and earth works.

The chemical knowledge of our ancestors could be found in their culture of lime stone, lac, Indian madder, resin and sulpher and in the manufacturing of gum, ointments different kinds of dyes, inks, and medicines.

I have tried to give an exhaustive description of the textile industry of those days like Pat and Muga and Endi Silks and many other fabrics. Mentions of these can be found in the accounts of

Assam left by foreign travellers. They prepared many articles from tusks, bones, horns, and furs of animals and traded in them.

Timber, bamboo and cane industries were thriving luxuriantly in the kingdom. Beautiful articles of daily use were made from common forest products like patidoi, maduri, kuhila, thatches, tal, sewa and tokou (all plants) leaves and barks.

Various kinds of dolls and masks, iron and steel pressing machines were made by our old artisans, Tingiries (Match box) gun-powder were common things that our people produced.

During the last part of the Ahom rule they explored coal (Nagmati) of which brief discussion is given in this book.

In short, attempt has been made to gauge as deeply as possible in to the realms of antiquity to find out details of these precious industries. Still, there remains a great deal for further research

and examination. It is for the young research workers to explore the forgotten past and find out the glory that was Assam.

Lastly I convey my sincere thanks to young professor Shri Pradip kumar Saikia M. A. Shri Bhabendra Bordolai and Shri Jibeswar Gogoi for their valuable assistance in the preparation of the press copy. My thanks are also due to the Ranjan Press, Sibsagar for prompt and nice execution of the work.

B. C. Handique
Joysagar
1959

আগকথা

এই পুথি খনিৰ নাম যদিও 'পুৰণা অসমৰ শিল্প' বুলি দিয়া হৈছে দৰাচলতে শিল্পৰ শিতানতে পুৰণা খনিজাত, শিল্পজাত, বেহা-বেপাৰ, নিৰ্ম্মান আদি না না বিষয়ৰ কথা আলোচনা কৰা হৈছে। আগৰ দিনত কোনো কল-কব্জাৰ সহায় নোলোৱাকৈ মানুহে নিজ হাতেৰেই বা কোনো কোনো ক্ষেত্ৰত পশু শক্তিও নিয়োগ কৰি শিল্পৰ বিষয়ত আজিৰ দিনতকৈ বহু উচ্চ স্থান লাভ কৰিছিল। তাৰ প্ৰমান পুথিৰ গৰ্ভত পাব।

পুথিৰ গৰ্ভত কেবাটিও পুৰণা শিল্পৰ কথা আলোচনা কৰা হৈছে। প্ৰত্যেকৰে সুকীয়াকৈ আধ্যায় কৰি দিয়া আছে। যিমান দূৰ সম্ভৱ প্ৰত্যেক কথাৰে পোৱা স্থানৰ উল্লেখ কৰা হৈছে। গতিকে তাৰ উল্লেখ ইয়াত কৰা নহব। আচল কথাত কবলৈ গলে না না স্থানৰ পৰা কথা আনি একে ঠাইতে গোটাই মেলি সম্পাদন কৰা হৈছে মাত্ৰ।

শিল্প বিলাকৰ বিষয়ে বহল ভাৱে আলোচনা কৰিবলৈ সম্বলৰ অভাৱ। এই বিষয়টি মাত্ৰ আৰম্ভ কৰি দিয়া হৈছে। নতুনকৈ উঠি অহা গবেষক সকলে এই হেৰাই যোৱা কথা বিলাক উদ্ধাৰ কৰিব বুলি আশা কৰিলো।

প্ৰাগ আহোম যুগৰ আৰু আহোম ৰাজত্বৰ

সময়ৰ বাহিৰে অসমৰ আন আন প্ৰবল প্ৰতাপী জাতি বিলাকৰ ৰাজত্বৰ সম্পৰ্কে বিশদ ভাৱে বুৰঞ্জী উদ্ধাৰ নোহোৱাৰ কাৰণে সেই সময়ৰ বা সেই সেই জাতিৰ বা ৰাজ্যৰ শিল্প আদিৰ বিষয়ে জনা নগল। আহোম বুৰঞ্জী বিলাকৰ গৰ্ভত থকা অন্যান্য জাতিৰ শিল্প সম্পৰ্কে কিছু কথাৰ আভাস পোৱা যায়। যেনেকৈ অসমীয়া জাতি অসমীয়া ভাষা, অসমীয়া সংস্কৃতি, আৰু সমাজ বুলিলে আমি থল পৰ্ব্বত, বাহিৰ ভিতৰ, সকলোৰে সান-মিহলিত হোৱা, তেনেকৈ অসমীয়া শিল্প বুলিলেও সকলোৰে সংমিশ্ৰণত হোৱা এটা বস্তু। "They came, they met, they mixed and mingled in to one solid Stone within their Stone walls" এটি পুণৰু বা এটি কলডিল বখলিয়াই থৈ গলে যেনেকৈ সেই বস্তুটিৰ অস্তিত্ব নাথাকে তেনেকৈ আমাৰ অসমীয়া জাতিটোৰ বখলিউৱা কাম হাতত ললে মূলত শূন্য হবগৈ। গতিকে পুথিৰ গৰ্ভত উল্লেখ কৰা সকলো বিলাক শিল্পয় আমাৰ অসমীয়া জাতিৰ।

এতিয়া আমাৰ দেশত সৰু বৰ বহুত শিল্প আছে, খনিজ আছে, বেহা-বেপাৰ, কাৰবাৰ আছে। কিন্তু সেই বিলাক অসমীয়াৰ প্ৰায়েই নহয়। অসমতে হৈছে যদিও অসমীয়াৰ দ্বাৰা হোৱা নাই। তাহানিৰ দৰে সেই বিলাক জতুৱাও নহয়। এই বিলাক কথা অলপ চকুজুৰি মেলি এবাৰ কেউফালে চালেই আচিঁযেন ফট্‌ফটীয়াকৈ দেখিবলৈ পাব। যা-হওক সৌভাগ্যৰ কথা যে সম্প্ৰতি

জাতীয় চৰ্কাৰে পঞ্চম বাৰ্ষিক পৰি কল্পনা সমূহত কুটিৰ শিল্পৰ প্ৰতি যথেষ্ট সজাগ হৈ কামত আগবাঢ়ি গৈছে। ৰাইজে গা ডাঙ্গিলেই বহুতো উপায় দেশে কৰি লব পাৰে। এই সজ প্ৰচেষ্টাৰে উদগণী জোগাব বুলি পুথি খনি প্ৰকাশ কৰিবলৈ আগ বাঢ়িলো। পুথিৰ গৰ্ভত যি বিলাক বৰ্ণাশুদ্ধি হৈ গৈছে, সদাশয় পঢ়ুৱৈ সমাজে যেন সেই বাবে ক্ষমা কৰে।

শ্ৰীভুবনচন্দ্ৰ সন্দিকৈ
১৪-৪-৫৯

কৃতজ্ঞতা প্ৰকাশ

এই পুথি খনি প্ৰকাশ কৰিবৰ কাৰণে গাপ দি থওঁতে থওঁতে কেবা বছৰো পৰি আছিল। ১৯৪১ চনৰ ২ অক্টোবৰৰ দিনা শিৱসাগৰ নগৰত বহা অসম ছাত্ৰ ফেদাৰেচনত প্ৰথমতে ইয়াক পাঠ কৰা হৈছিল। পুনৰ ভালেমান খিনি নতুন কথা লগাই ১৯৪১/৪২ চনত আৱাহনত প্ৰকাশ কৰা হৈছিল। অসম সাহিত্য সভাৰ ধুবুৰী অধিবেশণত কিছু তথ্য পাতি সংগ্ৰহ কৰি পুনৰ বুৰঞ্জী শাখা সভাত পাঠ কৰা হৈছিল। সেই সময়তে সভাত থকা কেবাগৰাকীও বিদ্বান সদাশয়ে ইয়াক ছপা কৰি প্ৰকাশ কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। কিন্তু ইচ্ছা থাকিলেও আমাৰ হাত সিমান দীঘল নহয়। এই খনৰ কথা বাদ দিও ইয়াতকৈ মূল্যবান শ' শ', অনেক লোকৰ লিখা সাৰগৰ্ভ পুথি তুলাপাত আৰু মহীতে আবদ্ধ হৈ যতে ত'তে গাপ খাই পৰি আছে নতুবা নষ্ট হৈছে।

আমাৰ জনপ্ৰীয় ৰাজ্যিক ছৰকাৰৰ পুথি প্ৰকাশক সমিতিয়ে এই পুথি প্ৰকাশ কৰিবৰ উপযুক্ত বিবেচনা কৰি ছাপাখানাৰ সমূদায় খৰছ বহণ কৰিবলৈ আগ বঢ়াত, অনুপ্ৰাণিত হৈ অশেষ কৃতজ্ঞতা জনাইছো। এনেকৈ সুবিধা নিদিয়া হেঁতেন ইয়ো কিবাহে হল হেঁতেন।

পুথিৰ গৰ্ভত থকা কথা বিলাক আগতে না না আলোচনী আদিত প্ৰবন্ধ আকাৰে প্ৰকাশ হৈ গৈছে।

গতিকে আমাৰ স্বনাম ধন্য কেবা গৰাকীও বুৰঞ্জীবিদ্, গবেষক আৰু শিল্পজ্ঞৰ ওচৰত মূৰ দোৱাঁব লগা হৈছো। এই লোক সকলৰ কেবাগৰাকীও পৰলোকগামী হৈছে। সেই সকলৰ ভিতৰত ৺পণ্ডিত হেমচন্দ্ৰ গোস্বামী, ৺গুনাভিৰাম বৰুৱা, ৺হিতেশ্বৰ বৰ বৰুৱা, ৺আনন্দচন্দ্ৰ আগ্ৰৱালা, ৺পদ্মসিং নাওবৈচা ফুকন, ৺স্বৰ্গেধৰ চাংকুঙ্গ ফুকন, ৺সোনাৰাম চৌধাৰী,ক ধৰি কেবা জনৰো প্ৰবন্ধ পাতি আৰু মুখে শুনা কথাৰ পৰা ভালেমান কথা সংগ্ৰহ কৰা হৈছে। বিশেষকৈ পৰম শ্ৰদ্ধেয় ডাঃ সূৰ্য্য কুমাৰ ভূঞা দেৱৰ দ্বাৰা সম্পাদিত হোৱা বিবিধ অসম বুৰঞ্জী সমূহ, শ্ৰদ্ধেয় বেনুধৰ শৰ্ম্মা দেৱৰ "মনিৰাম দেৱান" নামৰ পুথিৰ পৰা না না তথ্য গোটায় লৈছো। ইয়াৰ ওপৰিও স্বৰ্গীয় কনকলাল বৰুৱা দেৱৰ কামৰূপৰ বুৰঞ্জী, স্বৰ্গীয় গেইট, ওৱেইদ, হেমিলটন, আদি বুৰঞ্জীবিদ সকলৰ বুৰঞ্জীৰ পৰা না না কথা ধাৰ কৰা হৈছে। এই সকলো লোকৰ ওচৰত আমি চিৰ ধৰুৱা। তেখেত সকলতে শিকি বুজি, তেখেত সকলৰ ভঁৰালৰ বস্তু লৈ তেখেত সকলৰ নাম নললে নিশ্চয় অজীন পাতেকী দোষৰ ভাগী হম। তেখেত সকলৰ কথা, মনে মনে বিনা অনুমতিত ইয়াত থুপ খোওৱাৰ বাবে যেন আমাৰ দোষ ক্ষমা কৰে। পুথিৰ গৰ্ভত পাৰ্য্যমানে ইয়াত থকা কথা বিলাক ক'ৰ পৰা পোৱা হৈছে তাৰ উল্লেখ কৰা হৈছে।

না না আলোচনীত প্ৰবন্ধ আকাৰে প্ৰকাশ হোৱা এই গবেষণা মূলক কথা বিলাক পুথিৰ গৰ্ভত

গোটাই মেলি এক প্ৰকাৰ সংৰক্ষণ কৰিবলৈ যত্ন কৰা হৈছে। এই পুথিৰ পৰা কিবা যশস্যা উপাৰ্জ্জন হলে সেই ফেৰা সেই সকলৰ কাৰনেহে।

সদৌ শেষত প্ৰতিদান স্বৰূপে এই সাধাৰণ পুথি খনি সেই সকলৰে পবিত্ৰ নামত সভক্তিৰে উৎসৰ্গা কৰা হৈছে।

শ্ৰীভুবনচন্দ্ৰ সন্দিকৈ
জয়সাগৰ
১ বহাগ (১৫ এপ্ৰিল ১৯৫৯)

প্ৰাগ ঐতিহাসিক আৰু প্ৰাগ আহোম যুগৰ শিল্পৰ উল্লেখ।
(Pre-historic & Pre-Ahom Period)

পুৰণি অসমৰ শিল্প বুলিলে আমি উচপখাই উঠো, তাৰ কাৰণ হৈছে অতীত অসমৰ শিল্প বেহা-বেপাৰ ভাস্কৰ্য্য ইত্যাদি যি যি আছিল সেই বিলাক এনে ধৰণে লোপ পালে যে তাৰ চিন মোকামো চকুৰ আগৰ পৰা আঁতৰ হল। কেনিও সেই বিলাকৰ বিষয়ে কোৱা মানুহো নোহোৱা হল।

মহাভাৰতৰ যুগঃ- অথচ মহাভাৰতৰ যুগৰে পৰা আমাৰ দেশখন শিল্প বিষয়ত বহুত আগবঢ়া আছিল। মহাভাৰতৰ সভাপৰ্ব্বৰ এঠাইত আছে যে ধৰ্ম্মৰাজ যুধিষ্ঠিৰৰ ৰাজসূয় যজ্ঞলৈ হিমালয়ৰ পূৰ্ব্বপ্ৰান্তৰ ৰাজ্য কামৰূপৰ পৰা চন্দন কাঠ মৃগচৰ্ম, পশু, চৰাই, বন্দী, স্ত্ৰী আৰু পৰ্ব্বতৰ গোটাসোন উপঢৌকন হিচাবে পঠিয়াইছিল।

মৌৰ্য্য যুগঃ- মৌৰ্য্য যুগতো আমাৰ দেশ শিল্প বিষয়ত বহুত চহকী আছিল। কৌটিল্যৰ অৰ্থশাস্ত্ৰত আছে যে কামৰূপ ৰাজ্যত দুকুল, পত্ৰোৰ্ণ তৈল-পৰ্ণিক, অগৰু, চন্দন পুত্ৰক আদি শিল্প বিষয়ত অগ্ৰগণি আছিল।

দুকুল হৈছে পাট কাপোৰ. পত্ৰোৰ্ণ এবিধ গছৰ আঁহৰ প্ৰস্তুত হোৱা অতি উত্তম কাপোৰ, তৈল-পৰ্ণিক এবিধ সুন্দৰ প্ৰসাধন, পুত্ৰক হৈছে মদ কৰা গছ. চন্দন আৰু অগৰু আমাৰ চিনাকি বস্তু ।

বিদেশীৰ টোকাঃ- ২য় শতাব্দীৰ আগ ভাগতে গ্ৰীক ভৌগলিক টালেমীয়ে লিখি থৈ গৈছে যে কামৰূপ ৰাজ্য, ১৮০০ শ বছৰৰ আগৰে পৰা পাট শিল্পত প্ৰখ্যাত আছিল । আধুনিক ৰেচম তত্বজ্ঞ সকলৰ মতে হিমালয়ৰ দাঁতি কাষৰীয়া ঠাই বিলাকেই ৰেচম পলুৰ আদিম স্থান । বহুতে কয় যে ৰেচম শিল্প আবিস্কাৰক এগৰাকী চীন দেশৰ ৰাণী । সেই কাৰণেই পাট কাপোৰক " চীনাংশুক " বোলে । পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ মতেও এড়ি, মুগা, পাট আমাৰ কৌটিকলীয়া সম্পত্তি ।

চীন দেশৰ পৰিব্ৰাজকৰ টোকাটো ভাস্কৰবৰ্ম্মাৰ দিনত " That during this time boat building was a flourishing industry in Kamrupa and that of iron which must have been then available in abundance from Khasi Hills. " ইয়াৰ থুল মূল কথা হল যে ভাস্কৰবৰ্ম্মাৰ দিনত পুৰণা কামৰূপ ৰাজ্যত নৌকা শিল্প আৰু লো শিল্প বৰ বহল আছিল । তাৰোপৰি সেই সময়ত গুৰ অগৰু, মৃগা, পাট, কস্তুৰী আদি শিল্প বিলাকো আছিল। ভাস্কৰবৰ্ম্মাই ভাৰতৰ সম্ৰাট হৰ্ষবৰ্দ্ধনলৈ হংস বেগ কটকীৰ হাতত উপহাৰ দিছিল না না বহুমূলীয়া ৰত্নেৰে খচিত এটি ৰাজচত্ৰ সাঁচি পাতৰ পুথি, বোলোৱা বেতৰ চিত্ৰ-

বিচিত্র পাটি, অগৰু, চন্দন, পাটৰ জোলোঙ্গাত কস্তুৰী, গুৱৰ কলস, না না বাচন-বৰ্ত্তন চিত্ৰ, ভূৰ্জ্জ পত্ৰৰ দৰে মিহি আৰু পাতল পাটৰ কাপোৰ সোন ৰূপেৰে কাম কৰা বেতৰ সজ্জাত চৰাই ইত্যাদি। সেই দৰে মাটিৰ শিল্প বিষয়েও জনা যায় যে অসমৰ মাটিৰ শিল্প প্ৰাগঐতিহাসিক যুগৰে পৰা চহকী! মিঃ কেঃ এন, ডিস্কিটৰ Archæol·gical survey of India ত লিখিছে যে অসমৰ পুৰণা মাটিৰ পাত্ৰ পৰীক্ষা কৰি পোৱা যায় যে ই ভাৰতৰ অন্য স্থানত পোৱা মাটিৰ পাত্ৰতকৈ বেছি পুৰণা।

পুৰণি কামৰূপ ৰাজ্যৰ শিলৰ শিল্পৰ জ্বলন্ত পটন্তৰ তেজপুৰৰ বামুণী পৰ্ব্বতত, দহ পৰ্ব্বতীয়াত, ইৰপেশ্বৰত আৰু অসমৰ না না স্থানত দেখিবলৈ পাব। তেনেকৈ লো, না না ধাতু, কাঠ, ঔষধ, বাহঁ বেতৰ শিল্প প্ৰাগঐতিহাসিক যুগৰ পৰাই এই দেশত আছিল। সেই বিলাকৰ সম্পৰ্কে লিখিত ভাবে কোনো পুথি এতিয়ালৈকে পোৱা নাই। সেই যুগৰ শিল্পজাত, খনি জাত বস্তু আৰু বেহা-বেপাৰ আদিৰ বিষয়ে গবেষণা কৰিলে নিশ্চয় বহু কথা পোহৰলৈ আহিব। এই বিলাক বয়-বস্তুৰে সেই যুগত ভাৰতৰ না না ৰাজ্যত, দক্ষিন পূব এচিয়া, চীন, মঙ্গোলীয়া, তীৰ্ব্বত; সাগৰৰ দ্বীপ লঙ্কা আদি না না দেশত সাউদ সকলে বেহা-বেপাৰ কৰিছিল। চান্দঁ সদাগৰে কামৰূপ ৰাজ্যৰ শিল্পজাত না না বস্তুৰে দেশে-বিদেশে বেপাৰ চলাইছিল। বেহা-বেপাৰ সংক্ৰান্ততে পুৰণা কামৰূপ ৰাজ্যই ব্ৰহ্মাদেশ,

শ্যাম দেশ, ইণ্ডুচীন, মালয়, বালি, সুমাত্রা, যাভা আদি স্থানত সম্পর্ক স্থাপন কৰিছিল।

১৬৭৫ চনত ফ্ৰাঞ্চদেশৰ বিখ্যাত ভ্ৰমণকাৰী জে, বি, ট্ৰেভেৰণিয়াৰ চাহাব, স্বৰ্গদেও চুজিংফাৰ দিনত অসমলৈ আহি তেওঁৰ টোকাট লিখি গৈছে যে (The Kingdom of Assam is one of the best countries of Asia, for it produces all that is necessary to the life of a man without being need to go for anything to the neighbouring states"

*"Early History of Kamrupa."

সোণ (Gold)

প্ৰথমতে আমি সকলোৰে আদৰৰ বস্তু সোণৰ বিষয়ে আলোচনা কৰিম। পৰ্ব্বত নৈয়ে ভৰিথকা দেশত সোণ থকাটো ভূগোলৰ স্বত্বসিদ্ধ। ট্ৰেভেৰণিয়াৰ চাহাবে এঠাইত লিখিছে যে "অসমত সোণ, ৰূপ, লো, তীখা, তাম. আৰু পাটকাপোৰ উৎপন্ন হয়। এই দেশৰ মানুহে সোণ অন্যদেশলৈ নপঠিয়াইছিল। তাৰ পৰা কোনো লাভো কৰা নাছিল। কেৱল গোটা কৰি ৰাখিছিল আৰু নিজদেশতে চলাইছিল। ৰূপ সোণৰ পৰা আহোম ৰজাসকলে মোহৰ মৰাইছিল"।

বিদেশীৰ টোকাঃ-

১৬৭০ চনত আলাম গিৰি নামাত আছে যে এই অসমত সোণ আৰু ৰূপ নৈৰ বালি ধুই গোটাই-ছিল ! এই কামত কুৰি হাজাৰ মানুহে খাটিছিল আৰু গাই প্ৰতি ৰজাক বছৰি এতোলাকৈ সোণ দিব লাগিছিল ।

সোণ পোৱাৰ স্থানঃ-

পেডিশ নামাত আছে যে ব্ৰহ্মপুত্ৰত সোণ পোৱা যায় । প্ৰায় দহ হাজাৰ মানুহে বালি ধুই সোণ উলিয়াই বছেৰেকত এতোলাকৈ সোণ ৰজা ঘৰত দিব লাগে । এই সোণৰ দাম তোলাই প্ৰতি ৮/৯ টকা আছিল । ১৮৩৩ চনত ৰাভেল চাহাবে লিখিছে যে ব্ৰহ্মপুত্ৰৰ পৰা ছুকুৰিমোন বালি নি বিলাতত পৰীক্ষা কৰি প্ৰত্যেক টন বালিত ১.৩ গ্ৰেইনকৈ সোণ পোৱা গৈছিল । তাৰোপৰি ভূটান আদি হিমালয়ৰ পাদদেশ বিলাকত, পৰ্ব্বতত গোটা সোণ পোৱা গৈছিল ।

অসমৰ ব্ৰহ্মপুত্ৰ, দিহিং, চিচি, ভৰলী, সুবনশিৰী দিক্ৰং, দিচৈ, জংলু পানী, দিবং, জাঁজী, আদি নৈৰ বালিত সোণ পোৱা গৈছিল । মিঃ জেঃ মেলকম, মিঃ উইলচন এৰিয়ানৰ ৰিৰ্পট বিলাকটো অসমৰ সোণৰ বিষয়ে উল্লেখ আছে ।

সোণ কমোৱাৰ নিয়মঃ-

শ্ৰদ্ধেয় বেণুধৰ শৰ্ম্মাদেৱৰ মনিৰাম দেৱানৰ

বুৰঞ্জীত আছে যে সোঁত থকা নৈৰ গৰাৰ বিপৰীতত বালিৰ চত পৰিলে ; তাৰ বালি পৰীক্ষা কৰি সোণ কমায়। বালিত বেছিকৈ বালিচন্দা থাকিলে তাত সোণ খপিবৰ উপযুক্ত স্থান বুলি ধৰে। প্ৰথমতে জোঙ্গা মাৰিৰে বালিত হেঁচি সোমোৱাই দিয়ে, তলত যদি বালিৰ টান চতা পায় তাৰ বালি খানি আনি পৰীক্ষা কৰি চায় আৰু তাত সোণৰ চেকুৰা পালে সেই বালি দ্ৰুৰণীত ধুই সোণৰ চেকুৰা বাহিৰ কৰে। এই দৰে গোটখোৱা সোণৰ চেকুৰা বিলাক চুঙ্গাত ভৰাই তাৰ পাছত ৰহদি সোণ খিনি লদা কৰে। শামুকৰ খোলাত ভৰাই নাহৰ খৰিৰে জাল দিলে আচল সোণ ওলাই পৰে। এইবিলাক কাম কৰা স্থকীয়া সোণোৱাল পাইক আছিল। একগোট পাইকৰ ভিতৰত এজন ওজা তাৰ ওপৰত খেলদাৰ বৰুৱা বিষয়া থাকে। জগলো নৈৰ সোণ কমোৱা কামৰ সোণোৱাল বৰুৱা জয়বৰক পাতে।

নাওবৈচা ফুকনৰ বুৰঞ্জী মতে সোণ কমোৱাৰ বেলেগ পদ্ধতি দিছে। তাত উদৰ চালত সোণৰ চেকুৰা ধৰাৰ কথা আছে। পৰ্ব্বতৰ ওপৰৰ পৰা নৈ বৈ গৈ পানী পৰি কুণ্ড হেন হোৱা ঠাইৰ পৰা সোঁত বৈ যোৱাৰ ফালে তাৰ একাঠুৱা পানীত ৪টা খুটি পুতি উদৰ চালখন পানীত পাতি থয়। এবেলাৰ মুৰে মুৰে চালখন আনি মিহি ডলাত শুকাই লৈ পাছত চালখন জোকাৰি দিয়ে। বালি বিলাক ডলাত পৰে আৰু সোণৰ চেকুৰা বিলাক উদৰ চালৰ নোমত লাগি ৰয়। সেই বিলাক জোঙ্গা লেপেৰে গোটাই গলাই পেলায়।

এই বুৰঞ্জীত আৰু অন্য প্ৰকাৰে সোণ কমোৱাৰ নিয়ম আছে। সেই সময়ত যুতকীয়া সোণোৱাল মানুহ ২৫ হাজাৰ আছিল। সোণ খাটত সোণোৱাল বৰুৱাই কাম চলাইছিল ।

জয়ধ্বজ সিংহ স্বৰ্গদেৱৰ দিনত ১২ হাজাৰৰ পৰা ২০ হেজাৰ পাইকে না না নৈত সোণ কমোৱাই ৰাজ ভঁৰালত বছেৰেকত ৫ হাজাৰ তোলা সোণ সামৰিছিল। এই জনা ৰজাই নামৰূপতো সোণ ধনৰ গোলা কৰিছিল।

স্বৰ্গদেও ৰাজেশ্বৰ সিংহৰ দিনত অকল উজনি অসমতে ১৬ হাজাৰ পাইকে সোণ কমাই ৰাজ ভঁৰাললৈ ৭ হাজাৰ তোলা সোণ দিছিল। গৌৰীনাথ সিংহৰ দিনত ৪ হাজাৰ তোলা, কমলেশ্বৰ সিংহৰ দিনত ৪৫৭ গোট পাইকে ২ হাজাৰ তোলা সোণ উপাৰ্জ্জন কৰিছিল। পাছলৈ পুৰন্দৰ সিংহৰ দিনত ১৮৪৫ গোট পাইকে গাই প্ৰতি আধা তোলাকৈ সোণ ১৮৩৩ চনৰ পৰা ১৮৩৮ চনলৈকে ৰাজ ভঁৰালত জমা কৰিছিল। মোৱামৰীয়া বিদ্ৰোহ আৰু মানৰ দিনত সোণ কমোৱাৰ কাম ক্ৰমাত কমি আহে। হাজাৰ বিজাৰ সোণোৱাল পাইকৰ সংখ্যা কমি আহি উজনিত ১৫০, ১৬০, বিশ্বনাথত আৰু সোণাৰি চাপৰিত ১০, ১৫ গোট আৰু চৈখোৱাত ৫০, ৬০ ঘৰ মানুহ ৰলগৈ। নাওবৈচা ফুকনৰ বুৰঞ্জীমতে চুখাংফা স্বৰ্গদেৱৰ দিনত (১২৫৪-১৩৩৫) "এই জনা স্বৰ্গদেৱে সোণ কমাই অনোৱাৰ এবং ৰূপ মাটি অনোৱাৰ নিয়ম নিৰ্ব্বন্ধ কৰি সোণোৱাল ৰূপোৱাল নাম দি ২৫ হাজাৰ মানুহক খেলুৱা পাতিলে। এই

কামত কছাৰী আৰু চুটীয়া মানুহ বিলাকক দিলে। মানুহ বিলাকে প্ৰথম কাতিৰ পৰা বহাগলৈকে সোণ কমাই জেঠ মাহত কাম সামৰে। প্ৰতি মানুহে আঢ়ৈ তোলাকৈ সোণ ৰজা ঘৰত দিয়ে। নিৰ্দ্দিষ্ট বাৰৰ বাহিৰে উপাৰ্জ্জন কৰা বিলাক নিজৰ। তেওঁলোকৰ মাটিৰ খাজনা মাফ"।

চুটীয়া ৰজা সকলৰ ৰাজ্যতো প্ৰচুৰ পৰিমানে সোণ কমোৱাৰ নিদৰ্শন আছে। লিখিত ভাবে বিশেষ বিবৰণ নাপালেও চুটীয়া ৰজাৰ সোণৰ হাতী, সোণৰ মেকুৰী, সোণৰ তিনি চুকীয়া সিংহাসন, জৰা, বেলা আদি আপুৰুগীয়া সম্পত্তি আছিল। আহোম ৰজা সকলেও চুটীয়া সকলক এই কামত পাৰ্গত পাই সোণ শিল্প খেলত এওঁলোকৰ মানুহ ৰাখিছিল।

তেনেকৈ কছাৰী ৰজা সকলৰ দিনতো না না নৈত সোণ কমাইছিল। তাৰো বিষদ বিবৰণ পোৱা নাযায়। কছাৰী ৰজা বিক্ৰমাদিত্যফাৰ স্নুবৰ্ণৰ দশভূজা মূৰ্ত্তি, বানেশ্বৰৰ মূৰ্ত্তি আৰু পাছৰ ৰজাসকলৰ সোণ চৰুৱা হিলৈ আৰু না না অলঙ্কাৰৰ কথা বুৰঞ্জীৰ গৰ্ভত পোৱা যায়।

তেনেকৈ নগা সকলেও সোণ কমাইছিল। নামচাং ৰাজ্যৰ ৰজাই বাৰেঘৰৰ সত্ৰাধিকাৰক দিয়া সোণৰ লগুণ সোণৰ সৰু মুকুট এতিয়ালৈকে সেই সত্ৰত আছে।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে সোণৰ কাৰবাৰ বেছি আছিল। নামনিৰ টিং চটিয়া চাতগাৰী আদি ঠাইৰ

পৰা ৰাজ্য ভঁৰাললৈ সোণ আহিছিল । তেনেকৈ ভোটৰ পৰ্ব্বত, খামটিৰ দেশ, নৰাৰ দেশৰ পৰাও আহোম ৰজা সকলে সোণ পাইছিল । তেনেকৈ ৰজা ঘৰত দিও সোণোৱাল বিলাকে সোণৰ পৰা বিশেষ লাভবান হৈছিল । বহুতৰ মতে ৰজা ঘৰৰ ডা-ডাঙ্গৰীয়া ঘৰৰ বাজে অন্যে সোণৰ অলঙ্কাৰ ব্যৱহাৰ নকৰিছিল বুলি কয় । এই কথা একেবাৰেই সত্য নহয় । থল পৰ্ব্বত সকলো স্থানৰ সাধাৰণ পাইকেও সোণৰ অলঙ্কাৰ আৰু অন্যান্য বস্তু ব্যৱহাৰ কৰিছিল ।

একালত অসমীয়া সোণাৰী ভাৰতৰ ভিতৰতে প্ৰসিদ্ধ আছিল । এই লোকসকলে সোণৰ পাটি, সোণৰ জাপি, চাতি, সোণৰ না না ধৰণৰ অলঙ্কাৰ, বাচন-বৰ্ত্তন মূৰ্ত্তি সজুলি গঢ়িছিল । তোপ বিলাকত, অন্যান্য অস্ত্ৰ-শস্ত্ৰত, ঘৰৰ বেৰত, কাপোৰ আদিত সোণৰ পাট, পানী খতাইছিল আৰু চৰাইছিল । সোণৰ বাচন-বৰ্ত্তনৰ ভিতৰত, ভোগজৰা, মৈৰাজৰা, তাওকিন, মাইহাং, ৰেৱা, ধোৱাঁখোৱা, চিলিম, শৰাই, বটা, বাতি, কাঁহি, সোণৰ চৰিয়া, সোণৰ খৰিকা চুঙ্গা, গা আঁচুৰা, কাণ খৰিকা, সোণ খতোৱা তৰোৱালৰ নাল, আৰু ফাঁক চাকি, গছা, টেমা, টেমি ইত্যাদি অনেক আছিল ।

অলঙ্কাৰৰ ভিতৰত সোণৰ কানথাচা চাৰিপটীয়া ডলা, পেচন্দাৰ, শিৰশোভা বা পেচ, কণ্ঠশোভা, ছুগছুগী কৰ্ণফুল, লোকাপাৰ, কলগী চন্দ্ৰহাৰ, জোনবিৰি, জেঠি, গামখাঁৰু, পয়জাৰ মনি আদিত না না বহুমূলীয়া বাখৰ, মুকুতা, পোৱাল আদি যত যেনেকৈ লাগে খতাইছিল ।

পিন্ধা কাপোৰৰ ভিতৰতো সোণৰ ফুল, গুনা, পটি, মাৰিছিল। সোণালী জৰদৰ জামা, চিকন আতালঞ্চৰ জামা, ইজাৰা, পাগ, ৰিহা, মেখেলা, চোলা, চেলেং, চাদৰ, টঙালি, আদি না না বিধ বস্ত্ৰটো সোণৰ কাম কৰিছিল। ঘৰৰ ছালতো সোণ ৰূপৰ পটি মেৰাইছিল আৰু পান কাটি লগাইছিল। না না ধৰণৰ সোণৰ মূৰ্ত্তি, পূজাৰ আহিলা পাতি আৰু সোণৰ খেলা পুতলাও গঢ়িছিল। সেইবিলাক আজিকালিও না না স্থানত দেখিবলৈ পোৱা যায়। সোণপানী চৰাই পুথিত আখৰ লিখা, তুৱাৰ খিৰিকি টোপ তৰোৱাল বাচন-বৰ্ত্তনত না না লতা পাতফুল আৰু চৰাই. পোক, পশুৰ মূৰ্ত্তি অঁকা বা চৰোৱা এটি বৰ উৎকৃষ্ট শিল্প আছিল।

ঘৰত সোণ খতোৱাঃ-

স্বৰ্গদেউ সকলৰ দিনত আদমহীয়াৰ পৰা টকা-লৈকে সোণৰ আঁঠ কোনীয়া মোহৰ মৰাইছিল। তেনেকৈ কোঁচ ৰজাসকলেও সোণৰ নাৰায়নী ৰূপ মৰাইছিল। ত্ৰিপুৰা দেশৰ কটকী আহোঁতে স্বৰ্গদেও ৰূদ্ৰসিংহৰ সভা ঘৰৰ বিবৰণত সোণ ব্যৱহাৰ কৰাৰ নমুনা বুৰঞ্জীৰ পৰা তুলি দিয়া হৈছে। “পাচে চ’ৰাৰ খুটা, চ’তি, ডাঙ্গ এই সকলতো মখমল, কিৰ্ম্মিজ, নৰাকাপৰ, ৰঘুনা-ৰাণি আতালঞ্চ এই সকল কাপোৰেৰে গিলিপ দিছিল। বৰ চ’তি ফুল চ’তি ফুকামৰ চ’তি এই সকলতো সোণৰ ৰূপৰ বৰৈএৰে মুৰালি থোপা আঁৰিছিল। .... তাৰ ওপৰত সিংহাখন পাৰিছিল। তাতে সোণৰ খুটাৰে চাঙ্গটি চন্দোৱাৰ তৰিছিল। সোণে

পোৱালে গঁথা চাকিত বাখৰ পতা কোষত বৰৈ দিয়া এনে জ'টীয়া জাল এখন সিংহাসনত আৰিছিল। ("ত্ৰিপুৰা বুৰঞ্জী পৃঃ ৯") ত্ৰিপুৰা ৰজা ৰত্নমানিকলৈ দিয়া সোণৰ বস্তু।

সোণাৱলী ওৰণি, সোণাৱলী পাগ, সোণাৱলী পটুকা, সোণাৱলী জামাৰ কাপোৰ সোণৰ বাখৰ পতা টেমী, কলসী, ডুগডুগী, কর্ণফুল, সোণৰ ফুলেৰে ডগডগী সোণৰ মলম কৰা কটাৰী ইত্যাদি। তেনেকৈ মোগল, পাঠান, কছাৰী, কোঁচ, জয়ন্তীয়া, নৰা, মান, আদি দেশৰ ৰজা সকললৈ পত্ৰৰ লগত দিয়া তালিকাটো সোণৰ অলঙ্কাৰ, বয়বস্তু, মোহৰ, সোণচৰোৱা বস্ত্ৰ আদিৰ বৰ্ণনা বুৰঞ্জীত পাবলৈ আছে।

মৈদামত সোণঃ-

আহোম ৰজা সকলৰ মৈদামত দিয়া সোণ— "বয়বস্তু থোৱাৰ ধৰণ এই"— ৰজাই শোৱা খোটালীৰ ওপৰে সাতখলপীয়া সোণৰ বৰৈ দিয়া চন্দ্ৰতাপ, মাটিত সোণৰ দাপোন মৰা চালপীৰা, পীৰাৰ চাৰিও চুকে সোণেৰে বন্ধোৱা চাৰিখুটি তাতে আঠুৱা দিয়ে। পীৰাৰ ওপৰত ৰূপৰ পাটী, সোণ আৰু বাখৰৰ বনকৰা গাৰু, তাতে ৰাজ অলঙ্কাৰে সৈতে ৰজাক শুৱাই থয়। পীৰাৰ কাষতে সোণৰ হীৰা বাখৰ পতোৱা ফাঁকেৰে হেংদাঙ্গ, কঁকালৰ ওচৰৰ মাটিত চাৰি পাঁচখন শৰাই। তাৰে এখন শৰাইত সোণৰ বঁটা, তাৰ ভিতৰত সোণৰ হীৰা বাখৰ পতা চুন খোৱা টেমি আৰু সোণৰ ধঁপাত

খোৱা টেমা, সোণৰ ডাবেৰে কটাৰী আৰু ৰূপৰ তামোল। এখন শৰাইত সোণৰ ভোগজৰা, এখনত অলঙ্কাৰ এইদৰে সোণৰ মাইহাং·········সোণৰ পেৰাও থয়। ভৰি পিথানৰ ফালে সোণেৰে বন্ধোৱা ধোঁৱা খোৱা তাৰ ওপৰত ৰূপৰ সাঁফৰ মৰা চিলিম, সোণ ৰূপৰ বনকৰা নলী” ইত্যাদি (দেওধাই অসম বুৰঞ্জী ১৪৫ পৃঃ)

মৈদাম বিলাকত দিয়া সকলো সম্পত্তি মোগলৰ আক্ৰমণ (মিৰজুমল্লা) মান মৰাণ আৰু কোম্পানীৰ দিনত মৈদাম ভাঙ্গি অপহৰণ কৰিলে।

গৌৰীনাথ সিংহৰ দিনত কাপ্তান ৱেলচ চাহাবে দিখৌ নৈয়েদি নাৱত ভৰাই ১৭১৬ শকত সোণৰ অলঙ্কাৰ ৪০০০০০টা, সোণ ২০০০০০০০৲ টকা নিয়ে। তেনেকৈ মিৰজুমল্লাই, মানে আমাৰ দেশৰ কিমান যে সোণৰ অলঙ্কাৰ, মোহৰ, গোটা সোণ, বয় বস্তু নিলে তাৰ সীমা সংখ্যা নাই।

বেপাৰঃ-

সোণৰ বেপাৰৰ কথা আগতে নাছিল। কিন্তু কমলেশ্বৰ সিংহৰ দিনত হাদিৰা হাটত বছৰী ১৮৭৫০৲ টকাৰ ডলোৱা সোণ বেচা হৈছিল। জয়ধ্বজ সিংহৰ দিনত দিল্লী আৰু বঙ্গদেশৰ বাদচাহ আৰু নবাবসকলক জনাই ভালেমান কাৰিকৰ লোক অনাই কাপোৰত গুনাৰ ফুলপাট কটা কাম কৰোৱাইছিল, এই দেশৰ লোককো শিকাইছিল। সেই মুছলমান লোকসকলক গুনাকটীয়া খেলত পাতিলে।

সোণৰ শিল্প বিষয়ে আৰু ভালেমান কথা বুৰঞ্জী পুথি আদিত পাবলৈ আছে। শিৱসাগৰ অঞ্চলত তেনে ধৰণৰ অতুলনীয় সোণৰ বাচন বৰ্ত্তন, মুদ্ৰা, কাপোৰ-কানি, মূৰ্ত্তি, পুতলা পুথি, মুকুট. লগুণ, ছাতি আদি আমি দেখিবলৈকো পাইছোঁ। এই সকলোবিলাক সোণ আমাৰ অসমীয়া মানুহেই কমাইছিল— আৰু ওপৰত উল্লেখ কৰা সোণৰ সকলো বস্তু আমাৰ মানুহেই কৰিছিল। বিশেষকৈ তামৰ ওপৰত সোণ লেপি দিয়া কৌশলটো ভাৰতৰ কম দেশতহে আছিল। শিৱসাগৰ নগৰৰ শিৱদ'লৰ কলচীটো ওখই ৭॥ হাত, ইয়াৰ ভিতৰত ৩/৪ জন মানুহ অনায়াসে সোমাই থাকিব পাৰে। এই বৃহৎ কলচীটো তামৰ ওপৰত সোণ লেপি দিয়া। বৰ ভূঁইকপত খহিপৰা ভগা অংশটো মেৰামতি কৰিবলৈ সংশ্লিষ্ট বিভাগে দক্ষিনাত্য, কলিকতা আদি স্থানটো আগৰ দৰে কৰোৱাব নোৱাৰিলে। কাৰণ তেনে ধৰণেৰে সোণ লেপি দিয়া কৌশল লোপ পালে।

ৰূপ (Silver)

সোণৰ দৰে ৰূপৰ শিল্পটো অসম দেশ চহকী আছিল। কিন্তু সোণৰ দৰে প্ৰচুৰ পৰিমানে ৰূপৰ খনি বা অন্য ৰূপ পোৱাৰ স্থান সম্পৰ্কে এতিয়ালৈকে প্ৰকাশ হোৱা বুৰঞ্জী সমূহত পাবলৈ নায়। পুৰণা

তথ্য পাতিৰ পৰা পোৱা যায় যে গাৰো খাচীয়া পৰ্ব্বতৰ পূব দক্ষিণ ফালৰ পৰ্ব্বতৰ পৰা ৰূপ মাটি আনিবলৈ মৰঙ্গীয়াল কছাৰী আৰু সৰু কছাৰীৰ ৫হাজাৰ মানুহৰ ৰূপোৱাল খেল পাতিলে। এওঁলোকে বছৰি এহেজাৰ মোন ৰূপ মাটি অনাৰ নিয়ম। মান দেশৰ পৰা ৰূপমাটি আনিবলৈ চৈখোৱা, শদিয়া, জয়পুৰৰ কছাৰী ও ছুটীয়া মানুহ এহেজাৰ যাব লাগে। এওঁ-লোকে ৩০০ মোন ৰূপ মাটি আনিব লাগে। ৰূপৰ মহীত ৰূপ পগাই চতা কৰি থয়। সেই ৰূপৰে উজনীত ৰজাৰূপ আৰু নামনিত নাৰায়ণী ৰূপৰ মোহৰ মৰোৱাই-ছিল। ৰূপ কমোৱা সম্পৰ্কে নাওবৈচা ফুকনৰ বুৰঞ্জীত কিছু আভাষ পোৱা যায়। শ্ৰীযুত বেণুধৰ শৰ্ম্মাদেৱৰ মনিৰাম দেৱানৰ বুৰঞ্জীত পোৱা বায় যে বৰ খামতি দেশত ৰূপৰ খনি আছিল। তাৰ পৰা আমাৰ দেশলৈ আনিছিল। আকৌ সীহ, তাম, ৰূপ আদি চিংফৌৰ দেশ পাৰহৈ চীন দেশৰ পৰাও আনিছিল। কোচৰজা বিশ্বসিংহৰ দিনতো ৰূপ কমোৱাইছিল। ৰূপ মাটি চালি ৰূপৰ চেকুৰা গোটোৱাৰ পৰাই ৰংঘৰৰ সন্মুখৰ এডোখৰ ঠাইক চলা পথাৰ বোলে। ৰূপৰ মোহৰ বিলাক ভাৰতৰ অন্যান্য দেশৰ মোহৰতকৈ বহুত উৎকৃষ্ট আছিল যে বিদেশী পণ্ডিতে মত প্ৰকাশ কৰিছিল।

ৰূপৰ কামঃ- সোণৰ দৰে অসমীয়া শিল্পীয়ে ৰূপৰ পৰা না না অলঙ্কাৰ বাচন-বৰ্ত্তন মূৰ্ত্তি পুতলা হাঠীয়াৰ আদি তৈয়াৰ কৰিছিল। টকা শালত না না

নিৰিখৰ মোহৰ মৰাইছিল । তাৰোপৰি সোণৰ দৰে ৰূপোৱালী পানী চৰাই, ৰূপৰ পাট লগাই বহুত বস্তু কৰিছিল । কাপোৰ কানিটো ৰূপৰ গুণা লগাইছিল । ৰূপৰ না না কাৰু-কাৰ্য্য খচিত পুৰণা ভোগজৰা, শৰাই, টেমা, অন্যান্য বাচন-বৰ্ত্তন অলঙ্কাৰ আদি আজিও পোৱা যায় । ৰংপুৰ আৰু গড়গাৱঁত, ৰজা সকলৰ দিনত তুখন মোহৰ শাল বা টকা শাল আছিল । দেশত আউল লাগিলে নামৰূপ পৰ্ব্বতৰ টকা শালত সোণ ৰূপৰ মোহৰ মৰা শালত মোহৰ মাৰিছিল । ১৮৩৫ চনৰ পৰা বৃটিছে আমাৰ দেশীয় মুদ্ৰা অচলন্তি কৰে ।

—: × :—

তাম, কঁাহ, পিতল সীহ দস্তা ইত্যাদি

(Copper, Brass, Pewter, Leads, Zinc etc)

আমাৰ দেশত পুৰণি কালত সোণ ৰূপৰ বাহিৰেও তাম, কঁাহ, পিতল, দস্তা, বালিচন্দা, চিচা, পোৱাল, বাখৰ আদিৰ শিল্প আছিল । এই বিলাকৰ বিষয়ে বুৰঞ্জী বিলাকত উল্লেখ আছে । কিন্তু সেই বিলাক কেনেকৈ কমাইছিল বা তৈয়াৰ কৰিছিল তাৰ বিষয়ে জানিবলৈ পোৱা নাই । ৮ম শতাব্দীৰ সময়ৰ কামৰূপীয়া ৰজাসকলৰ দিনত ৰজা ঘৰীয়া মিস্ত্ৰী বা ওজাৰ পৰা

সৰ্ব্বেবাৰীৰ পূৰ্ব্ব পুৰুষ সকলে অনেক ধাতুৰ কাম ভাল দৰে শিকি ললে। কোচ ৰজা বিশ্বসিংহৰ দিনত মুগা, কপাহ, তাম, ৰাং, সীহ, ৰূপ, সোণ, লো, কাচ মাটি লোন, সুৰগা, এই বিলাক বহুমূলীয়া বস্তু কোঁচৰাজ্যত উৎপাদন কৰিছিল। ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ দিনত ৰাজ-নৈতিক আৰু বানিজ্য সুত্ৰত পঞ্জাব, বঙ্গ, কাশ্মিৰ, অযোধ্যা, মধ্য ভাৰতৰ বুণ্ডেল খণ্ড ত্ৰিপুৰা আদি ৰজাৰ লগত মিত্ৰতা স্থাপন কৰি সেই দেশ বিলাকলৈ বৈৰাগী, খাওণ্ড, কটকী পঠিয়াই সেই দেশৰ শিল্পজাত বস্তু অনোৱাইছিল। আৰু সেই শিল্পত পাৰ্গত লোক আনি শিৱসাগৰত থাপিছিলহি। বুণ্ডেল খণ্ডৰ পৰা হীৰা আৰু অন্যান্য দেশৰ পৰা মুক্তা, পান্না আনিবলৈ খাওণ্ড আৰু বৈৰাগী পঠাইছিল। সেই দৰে সেই ৰজা সকলৰ দিনত ভাটিৰ পৰা বঙ্গ, বিহাৰ, যুক্তপ্ৰদেশ, দিল্লী আদিৰ পৰা কমাৰ, কহঁাৰ, সোণাৰী, দৰ্জ্জী পৰ্য্যন্ত আনি শিৱসাগৰৰ ভটিয়া পাৰত থাপিছিলহি। চুখ্ৰাংফা স্বৰ্গদেৱৰ দিনতো চিৰিং, চেঙ্গেলী, নগা, কাটলীয়া, বকতিয়াল, বাঘগোৱাল বাইলুঙ্গীয়া বামুনীয়া না না কটকী চীন, ব্ৰহ্মা, নৰা, শ্যাম জাপান, তিৰ্ব্বত আদি দেশলৈ পঠাই ধাতুৰ আৰু বস্ত্ৰৰ কাম জনা মানুহ আৰু বস্তু আনিছিল।

স্বৰ্গদেউসকলৰ দিনত নিজ দেশত বেচি উৎপন্ন নহলে সীহ, তাম চিংফৌ আৰু চীন দেশৰ পৰা আনিছিল। তাম আবৰৰ পৰাও পাইছিল। কোচ ৰজা বিশ্বসিংহৰ দিনত মুক্তা, কপাহ, তাম, ৰাং, সীহ, ৰূপ,

সোণ, লো, কাচমাটি লোণ আৰু সুৰগা আদিৰ বেপাৰো হৈছিল। কিন্তু কাৰ লগত বেপাৰ হৈছিল আৰু সেই ৰাজ্যৰ সেই বেপাৰৰ পৰা কিমান অৰ্থ উপাৰ্জ্জন হৈছিল সেই বিষয়ে পোৱা নাযায়। কছাৰী ৰজাসকলৰ ৰাজ্যতো এই ধাতু বিলাক উৎপাদন হৈছিল। বিশ্বনাথ দৰবাৰত কছাৰী ৰজা তাম্ৰধ্বজে আহোম ৰজাক তাম, পিতল, লো, চিচা, আদি বস্তু দি সেৱা জনাইছিল।

বেপাৰঃ— পিতলৰ ডাঙ্গৰ দাপোন বিলাক ৰজাৰ কাৰেং ঘৰৰ বেৰত মাৰিছিল। সেই দৰে পিতল, ৰূপ আৰু আদধতুৰা ডাঙ্গৰ দাপোন বিলাকত বেলিৰ পোহৰ পৰি জকমকায় আছিল। Account of Sir Fraderic James Halliday মতে জনা যায় যে স্বৰ্গদেউ ৰুদ্ৰসিংহৰ দিনত কঁাহ, পিতল আৰু তামৰ বাচন বৰ্ত্তন তিৰ্ব্বত, চীন, আদি দেশলৈ পঠিয়াইছিল। লাচাৰ পৰা সেই সময়ত অসমলৈ ২ মাহৰ বাট। এই বেপাৰৰ পৰা পুৰণা কালত আমাৰ দেশৰ বহুত লাভ হৈছিল। স্বৰ্গদেউ কমলেশ্বৰ সিংহৰ দিনত ১৫০০ টকাৰ কঁাহৰ মাল বঙ্গ দেশলৈ ৰপ্তানি কৰিছিল। সেই সময়ত আমাৰ মানুহে ৰাং আৰু তাম নিৰ্দ্দিষ্ট অনুপাতে একেলগে গলাই কঁাহ কৰিছিল। এই ধাতু বিলাকৰ পৰা পিতি আৰু ঢালি, দুয়ো প্ৰকাৰে বাচন বৰ্ত্তন কৰিছিল।

ধাতুৰ কামঃ— ওপৰত উল্লেখ কৰা ধাতু বিলাকৰে না না ধৰণৰ বাচন বৰ্ত্তন, মূৰ্ত্তি, পুতলা, হাতিয়াৰ আমাৰ মানুহে কৰিছিল। কঁাহ, পিতল, তাম আৰু কেবাটাও ধাতু মিহলাই তোপ বিলাক কৰিছিল।

এনে ধৰণৰ ভালেমান বৰ তোপ অসমৰ যাদুঘৰ আৰু অন্যান্য স্থানত দেখিবলৈ পাব। তামৰ পাটত আখৰ কাটি দ'ল দেৱালয়ৰ ফলি কৰিছিল। সেই সময়ত আমাৰ দেশত তামৰ মুদ্ৰা চলা নাছিল। তামৰ পাতেৰে কৰা কেইটিমান সৰু মন্দিৰো আমাৰ দেশত আছিল। তাৰ ভিতৰত ৰংপুৰ নগৰত সোম দেৱতাৰ মন্দিৰ, তাম্ৰেশ্বৰীৰ তামৰ মন্দিৰ, আৰু স্বৰ্গদেউ কমলেশ্বৰ সিংহয় কৰোৱা কামাখ্যাৰ তামৰ ঘৰেই প্ৰধান। কামাখ্যাৰটিৰ বাহিৰে বাকী দুটিৰ চিনো নোহোৱা হল।

ৰাং, ধাতু, সীহ, দস্তা, কাচমাটি আদি

পুৰণা ৰংপুৰ নগৰৰ আশে পাশে দকৈ খানিলে আজি কালিও তামৰ গোটা দীঘল টুকুৰা, ৰূপ, দস্তা, সীহ, বালিচন্দা, লোহা আৰু অন্যান্য অনেক ধৰণৰ ধাতু পোৱা যায়।

এই শিল্প বিলাকৰ কামত লগা, কঁহাৰ, মৰিয়া, আদি অনেক খেলৰ পাইক আছিল। শিল্পৰ নামে গোটেই দেশতে অসংখ্য গাওঁ চুবুৰী আদি আছে। কামৰূপত আগৰে পৰা চলি থকা কাঁহ, পিতলৰ শিল্পয় আজিও সুখ্যাতি আৰ্জ্জন কৰি আছে। চলা কাঁহৰ পুৰণা কামটো এতিয়া লোপ পাবলৈ ধৰিছে কিছু বছৰৰ পূৰ্ব্বে বুৰুকৰ পৰিয়ালৰ মাত্ৰ এজন মানুহে এই ধাতুৰ কাম চলাই আছিল।

ৰাং, সেতু, সীহ, কাচমাটি, চিচা, বালিচন্দা, বেলোল, বাখৰ, আদি না না ধৰণৰ আপুৰুগীয়া ধাতু

বিলাক কেনেকৈ তৈয়াৰ কৰিছিল, বা পাইছিল সেই বিষয়ে ভালকৈ জানিবলৈ পোৱা নগল। এই ধাতু বিলাকৰ বেহা বেপাৰ, অন্য দেশলৈ পত্ৰ সন্দেশৰ লগত দিয়া বা পোৱা, এনে বিলাক কথাৰেহে উল্লেখ পোৱা যায়। সোণৰ অলঙ্কাৰত ধূনীয়াকৈ মিনা কৰা কামত আমাৰ মানুহ পাৰ্গত আছিল। না না ৰঙৰ মিনা অসমীয়া সোণাৰীয়ে নিজৰ শালতে কৰি লৈছিল। আগৰ মিনাকৰা লোকক এতিয়াও মিনাকৰা ঘৰৰ বুলি কোৱা শুনা যায়।

ৰ'হ (পাৰা)ঃ— ৰ'হ বোলা অন্য এটা বস্তুৰ উল্লেখ প্ৰায়ৈই বুৰঞ্জী আৰু অন্যান্য কথাত পোৱা যায়। যেনে ৰ'হত থোৱা, ৰ'হ ঢলা পুখুৰী, ৰ'হ ঢলা ঘৰৰ ইত্যাদি। বহুতে অনুমান কৰে যে এই ৰহেই পাৰদ বা পাৰা। পুৰণি কালত বেল গছৰ পাতৰ পৰা কিবা এটা উপায়েৰে পাৰা বাহিৰ কৰাৰ নিয়ম আছিল। সোণ কমোৱাত এই পাৰাৰ প্ৰয়োজন হৈছিল। ৰ'হ ঢলা পুখুৰীৰ অৰ্থ হৈছে ৰজা সকলৰ দিনত পানীৰ পুং বিচাৰি পুখুৰী খানি পুঙত নাদ কৰি তাত ৰ'হ ঢালি পানী ফট্ ফটীয়া কৰি ৰাখিছিল। তেনেকুৱা পুখুৰী জয়সাগৰ, শিৱসাগৰ, গৌৰীসাগৰকে লৈ আহোম ৰজাৰ দিনৰ প্ৰায় পুখুৰীয়েই ৰ'হ ঢলা। মৃত্যু হোৱা ৰজাসকলৰ শ' বহু দিনলৈকে ৰাখিবলৈকো ৰ'হৰ ব্যৱহাৰ হৈছিল।

জাংফাই ঃ— জাংফাই ঘাইকৈ নৰা, মিচিমি দেশৰ পৰা আনিছিল। আবৰ, দফলা, মিৰি, নগা

আদিৰ দেশতো জাংফাই পোৰা গৈছিল। জাংফাই কেৰু আজিও আমাৰ মানুহে ব্যৱহাৰ কৰে।

ধাতু বিলাকৰ কথাৰে উপদেশ দিয়াৰ দৃষ্টান্ত বুৰঞ্জীত আছে। এবাৰ স্বৰ্গদেউ চুহুমুঙ্গে কছাৰী ৰজাক কৈছিল "বোলে তইঁত ডাঙ্গৰ ৰজাৰ সন্তান। ৰাং, সেতু, সীহ অল্প তাপতে যেনে ৰূপে পানী হয়, তইঁত তেনে নহবি"—। (দেওধাই বুঃ)

লো বা লোহা (Iron)

—ঃ x ঃ—

সোণ ৰূপতকৈ বহুমূলীয়া লো। পুৰণি কালত আমাৰ মানুহে বহুল ভাবে লোৰ কাৰবাৰ কৰিছিল। শ্ৰদ্ধেয় বেনুধৰ শৰ্ম্মা দেৱৰ "মণিৰাম দেৱানত" লো কমোৱাৰ কথা বহুল ভাবে আছে।

লো কৰাৰ নিয়মঃ—দৈয়াং আদি নৈত বাৰিষা ঢল উঠিলে সোঁতৰ লগতে পৰ্ব্বতৰ লোৱাচুৰ মিহলি খেচখেচিয়া মাটি আহি ঠায়ে ঠায়ে চত পেলায়। তাৰ ওপৰত পলস পৰি খৰালি লো মাটি টান হয়। লো-শলীয়া পাইকে গম লৈ সেই মাটি খানি উলিয়াই পাৰত দ'ম পাতি থয়। এটা এটা জুমত লো কৰা

পাইকৰ ৫ জন পালি, আৰু এজন ওজা। এই পাইক বিলাকে খৰালি সজুলি লৈ লো মাটিৰ পৰা লো কৰে। ১২ হাত দীঘল, ৭ হাত বহল আৰু ৩/৪ হাত দ' গাতত দ'মাই থোৱা লো মাটি বিলাক পানী দি ভৰিৰে খচকে। এই দৰে খচকি থাকোতে লোৰ লগত মিহলি হৈ থকা মাটি বেলেগ হৈ পৰে। তেতিয়া লো মাটি বিলাক, তিনি কোঠলীয়া চালিৰ তলত জ্বালি গাতৰ ওপৰত থালিত গৰম কৰে। জ্বাল দিওঁতে ইকৰা আৰু বিৰিণা খৰিৰে জ্বাল দিয়ে। নিয়মিত সময়ত লো বিলাক গলে। ওপৰত উঠা ভেবেৰ বোৰ পেলাই দিয়া হয়। তাকে লো কৰাই বোলে। তাকে লৰনিৰে লৰাই কাঢ়নিয়ে কাঢ়ি সাচত ঢালে বা ধুৰমূছে খুন্দি চেপেটা কৰে। এই দৰে দিনে নিশায়, এদিনত ৴৪ সেৰীয়া গধুৰ ১৩ ডোখৰ লেছেৰা লো কৰিব পাৰে। সেই দৰে গাৰো বিলাকে লেছেৰা লো, খাচিয়া, কছাৰী, নগা আদিয়েও লো উৎপাদন কৰিছিল। হেমিলটন্ চাহাবৰ বুৰঞ্জীত পোৱা যায় যে মণিপুৰ ৰাজ্যত লো উৎপাদন যথেষ্ট হৈছিল। উজনীত জয়পুৰৰ লো বৰ উত্তম আছিল। শিৱসাগৰত তিৰু লো শালত উত্তম তীখা, ইস্পাত তৈয়াৰ হৈছিল। তাৰ লো খাট, বৰ খাট, সৰু খাট, পেৰা খাট আদি লোৰ খাট আছিল। এতিয়াও লোৰ দ'ম পৰি আছে। আহোম স্বৰ্গদেৱৰ তিৰু কাকতি এই তিৰু পথাৰৰ লো উদ্যোগৰ প্ৰধান কৰ্ম্মচাৰী।

স্বৰ্গদেও চুহুংমুংৰ দিনত চুটিয়াৰ দেশ জয় কৰি অসংখ্য কমাৰ আনি বচা, দৈয়াং আৰু উজনিত পাতিলে। এই কমাৰ বিলাকৰ দ্বাৰাই অনেক লো-শলা কৰিছিল। সেই একেজনা স্বৰ্গদেৱৰ দিনতে পিতল কঁহৰ হিলৈ কৰাবলৈ ভাটীৰ পৰা বহুত কমাৰ মানুহ আনিছিল। মোৱা মৰীয়া বিদ্ৰোহৰ সময়ৰ পৰা লো-শলা বিলাক কমে। পূৰ্ণানন্দ বুঢ়াগোহাঁইৰ দিনত মাত্ৰ ৫০০ লো-শলীয়া খেলৰ মানুহ আছিল। ১৭৫৯ শকত শিৱসাগৰত ৪০ ঘৰ লো পুং চিনি পোৱা মানুহ আছিলগৈ। "মনিৰাম দেৱানত" আছে যে তিৰুপৰ্ব্বতৰ ৭০ খন লো-শাল টিয়কৰ জগন্নাথ তিৰু কাকতিৰ তলত আছিল। জাগিৰ জয়ৰামক কোৰ কটাৰী আনিবলৈ সাউদ পাতিছিল। (মনিৰাম দেৱান)

এইবিলাকৰ ওপৰিও জয়ন্তীয়া, কাচাৰ, খামটি, চুটিয়া কোচ ৰাজ্যতো বহুতো লো পুং আছিল। আৰু প্ৰায় সকলো ৰাজ শক্তিয়েই অধিক লো উপাৰ্জ্জনত মন দিছিল। পুৰণা বৃতান্তমতে ভাস্কৰবৰ্ম্মা মহাৰাজৰ দিনত সৈন্য বিলাকে লোহাৰ বৰ্ম্ম ব্যৱহাৰ কৰিছিল।

এসময়ত লো শিল্পৰ ওজা আছিল "বনমালি"। বনমালি কমাৰ ওজাক গুৱাহাটীৰ পৰা অনাই এহেজাৰ কমাৰ ওজাক লগত দিয়াই বহুত তোপ, হিলৈ, অস্ত্ৰ, শস্ত্ৰ গুলী-গোলা কৰোৱাই অনেকটা ভঁৰাল কৰোৱালে"। খাৰ বাৰুদ হিলৈ আদিৰ গুদাম ঘৰক সেই সময়ত গোলা ঘৰ, খাৰঘৰ আদি নামেৰে জনা যায়। এতিয়াও

ৰংপুৰ কাৰেং আৰু গড়গাওঁ কাৰেঙ্গৰ গড়ৰ ভিতৰত গোলা ঘৰ আছে ।

তোপ বা হিলৈ ঃ-

প্ৰাগ আহোম যুগতো ইয়াত লো পুং মানুহে আবিষ্কাৰ কৰিছিল । কেবাখনো বুৰঞ্জীত উল্লেখ কৰিছে যে মুছলমান সকলৰ আক্ৰমণৰ সময়ৰ পৰাহে অসমত হিলৈৰ ব্যৱহাৰ চলিছিল ।

কিন্তু J B. Traverner ভ্ৰমণ বৃতান্তত লিখা আছে " It is believed that it is the same people who in ancient time first discovered gun and gunpowder, which passed from Assam to Pegu and from Pegu to China. This is the reason why the discovery is generally ascribed to the Chinese " এইজনা ভ্ৰমণকাৰী ১৬৭৫ খৃঃ ত অসমলৈ আহিছিল । আৰু এঠাইত আছে " It is said and written in other chronicles that fire arms were first made in Assam " (Wade -36-) অসমৰ উত্তৰ পূবৰ পং নামে স্থানত ইয়াৰ আবিষ্কাৰ হয় বুলি কয় । ফাটেয়া৷ ইব্ৰিয়াত্ লিখা আছে " The Assamese weapons were cannons matchlocks, short swords, lances, bows and arrows. The bows were of bamboo and the arrows were pointed with iron. The matchlock

and cannon were well cast. The gunpowder was of various kind"

চাহাবুদ্দিন তালিছে লিখি গৈছে যে অসমীয়াৰ হাত নলীয়া বন্দুক আৰু বাচদাৰী হিলৈবোৰ সুন্দৰ ৰূপে মিনা কৰোৱা আৰু সেই বোৰ সাঁজোতে অসমীয়াহঁতে অদ্ভুত ৰকমে বুদ্ধি খটুৱাইছিল।

মণিৰাম দেৱানত আছে যে আমাৰ দেশত আটাইতকৈ ডাঙ্গৰ তোপটো দীঘলে ১২ হাত, গুৰিৰ ফালে মেৰটো ৪ হাত। এই তোপটো গুৱাহাটীৰ বহিখোৱা বৰ ফুকনে ৰাজেশ্বৰ সিংহলৈ দিছিল। এই বৰতোপ মাৰোতে মানুহৰ কান ফাতি গৈছিল। এবেলি ৰংপুৰৰ পৰা দিখৌমুখৰ ফালে এই তোপটো মাৰোতে তাৰ গুলীৰ লাগি পানী আনিবলৈ যোৱা তিৰুতা এগৰাকীৰ ভুঁৰু উলিয়াই দিয়ে। তেতিয়াৰ পৰা বোলে এই তোপ মাৰিবলৈ এৰি দিলে। ৰংপুৰৰ পৰা দিখৌমুখ প্ৰায় ১৫ মাইল আছিল। সেই একে বুৰঞ্জীতে আছে যে আওৰংজেবৰ এজন সেনাপতি আমিৰজুমল্লাই ঢাকাৰ পৰা আসাম লবলৈ আহোঁতে চ'ৰৰ মুখে গম পালে যে অসমীয়াৰ এটা তোপে ৫০০ গুলী একেবাৰেই মাৰে। এই খবৰ পাই তেওঁ পাছ হুঁহকিবলৈ বাধ্য হল। (মণিৰাম দেৱান) শিৱসাগৰৰ কাছাৰী ঘৰৰ সন্মুখত কেইবাটাও বৰ তোপ পৰি আছে তাৰ ভিতৰত আটাইতকৈ ডাঙ্গৰ তোপটোৱেই বহিখোৱা বৰফুকনৰ তোপ বুলি মানুহে কয়। তাৰ পাচৰ ডাঙ্গৰটো তোপত লিখা আছে যে স্বৰ্গদেও গদাধৰ সিংহৰ দিনত গড়গঞা

সন্দিকৈ বৰ ফুকনৰ আদেশত উত্তৰ গুৱাহাটীৰ গেৰেলা গৰীয়াৰ দ্বাৰা ১৬১৫ শক আহিন মাহত ইয়াক নিৰ্ম্মান কৰা হল। তোপৰ নাম "ৰিপুঞ্জয়"। ইয়াত থকা বাকী তোপ বিলাকতো বিবৰণ লিখা আছে আৰু প্ৰায় বিলাকতে সোণ খতোৱা আৰু ৰূপ খতোৱা আছে। মানুহে ৰূকি চিঙ্গি অলপ অলপকৈ নি আছে। তোপ বিলাকৰ মুখৰ আকৃতি মগৰৰ মুখ ঘৰীয়ালৰ মুখ, হাতীৰ মুখ, বাঘৰ মুখ, এনেকৈ না না জন্তুৰ মুখৰ আকাৰেৰে কৰিছিল। ড্ৰেগন মুখীয়া তোপো আছে। বিশেষকৈ শিৱসাগৰ আৰু গুৱাহাটী অঞ্চলত অনেক ৰকমৰ সৰু বৰ হিলৈ মানুহৰ ঘৰে ঘৰে আৰু মাটিৰ তলত পোৱা যায়। এই হিলৈ বিলাকৰ নাম যথা ক্ৰমে—সৰু হাত নলীয়া. ৰামচাঙ্গী. পাহলঙ্গী, গঠীয়া জুমুৰ মিঠাহোলেং, বাঘমুৰা টুবুকী, হাতীমূৰা, খোকা হিলৈ. কামায়ন. কেচাই পাথৰ কলাই, টুৰা পাথিয়া ইত্যাদি অনেক আছিল। আহোম যুগৰ পাছলৈ উন্নত ধৰণৰ বন্দুক আৰু পিস্তলো তৈয়াৰ কৰিছিল। পৰ্ব্বতীয়া লোকসকলে বিশেষকৈ নগা সকলে নিজে লোহাৰে এনলীয়া খজা বন্দুক কৰিছিল। আমাৰ দেশৰ তোপ খাৰ বিদেশী আক্ৰমনৰ সময়ত অন্য দেশলৈ যায়। তেনেকৈ অন্য দেশৰ তোপ আদিও আমাৰ দেশত থাকি যায়।

মিৰজুমল্লাৰ আক্ৰমনত মোগলে গড়গাৱঁৰ পৰা ৬৭৫টা বৰ হিলৈ, আটাইতকৈ ডাঙ্গৰ হিলৈটোৰ গুলীৰ ওজন ৩ মোন। ৩৪৩টা জুমুৰ, ১২০০টা ৰামচাঙ্গী ৬৫৭০টা

হাতনলীয়া ৩৭০ মোন খাৰ, দুমোন আঢ়ৈ মোন খাৰেৰে খুন্দখাই থকা ১৯৬০টা খাৰৰ পেটাৰী, ১৮২৮ খন ঢাল আৰু সেই অনুপাতে তৰোৱাল ধন, সোণ অলঙ্কাৰ, হাতী আদি নিয়ে । কাপ্তান ওৱেলচ চাহাবে মোৱামৰীয়া দমন কৰিবলৈ বুলি আহি ৰংপুৰ নগৰৰ পৰা ৪০০০ ওপৰ তোপ লৈ যায় ।

ৰুদ্ৰসিংহ স্বৰ্গদেৱে মাইবং অধিকাৰ কৰি কছাৰী ৰাজ্যৰ পৰা ৭০০ হিলৈ তাৰে কিছুমানত পিতলৰ মুৰ্ত্তি খতোৱা গন্ধক ২২০ মোন, লোহৰে সজা যুদ্ধৰ সাজ ১২০, কোৰ কাচি, খাণ্ডা কটাৰী, গোটা লো অনেক পায় । শিলকটা বৰ চাচ, কাঠফলা না, না ধৰণৰ কৰত কছাৰী ছুটিয়া ৰাজ্যৰ বস্তু । মণিপুৰ, খাচিয়া জয়ন্তীয়া, গাৰো, নগা, ভোট, আদি পৰ্ব্বতীয়া অঞ্চলত লোৰ অসংখ্য বস্তু তৈয়াৰ হৈছিল আৰু লোৰ বেপাৰো চলিছিল ।

জয়পুৰৰ দৰে দৈয়াঙ্গৰ লো খাটতো যথেষ্ট লো উৎপাদন হৈছিল। মৰঙ্গী আদি অঞ্চলত লোৰ কাৰখানা আছিল । তেনেকৈ এতিয়ালৈকে পোৱা শিৱসাগৰৰ বাঢ়ৈটিং বকতা, তিৰু, জবকা, আৰু পৰ্ব্বত ভৈয়ামৰ অনেক অঞ্চলত লোহাৰ কাৰখানা বা কমাৰ শাল আছিল ।

অসমীয়া কমাৰে যুদ্ধৰ আহিলা-পাতি কৰাৰ ওপৰিও কৃষিৰ, চিকাৰৰ আৰু ঘৰুৱা না না কামত লগা লোৰ হাতিয়াৰ কৰিছিল । আমাৰ দেশত ঢেকৰ গঢ়া

কমাৰৰ সমান কমাৰ হ্ব নোৱাৰে। এই ঢেকৰ দোলাত লগোৱা এটা বিতোপন বস্তু। তীখাৰ বেজি, তলা, গজাল, খিলি, কুঠাৰ, কোৰ, চাকি, নাওবিলাকৰ খিলি শিকলি, সুতাকতা শলা, চকা, মূৰ্ত্তি, পাত্ৰ অসংখ্য কৰিছিল। সেই বিলাকৰ নিদৰ্শন এতিয়াও আছে।

—×—

লোন (Salt)

এতিয়া আমাৰ দেশৰ সেই কালৰ এটি বৰ আপুৰুগীয়া বস্তুৰ বিষয়ে উল্লেখ কৰিম। সেই বস্তুটো হৈছে লোণ। আমাৰ দেশত যিমান লোণ উৎপন্ন হৈছিল তাৰে সকলো প্ৰজাকে নাটিছিল। সেই কাৰণে নিমখৰ পৰিবৰ্ত্তে না না ধৰণৰ খাৰ ব্যৱহাৰ কৰিব লগাত পৰিছিল। লোণ ইমান দুষ্প্ৰাপ্য বস্তু আছিল যে তাক সোণৰ লগত তুলনা কৰিছিল। “লোণ দানে সোণ দানে সমান” — “কিনো মহঙ্গৰে লোণ পালি” “শদিয়ালৈ নাযাবি যঠ ফুল নাখাবি কেচাপাতত নেবান্ধিবি লোণ” আদি যোজনা বিলাকে লোণৰ মূল্যৰ সম্পৰ্কে বুজাইছে।

পুৰণি কালত লোণ কৰাৰ প্ৰথা বুৰঞ্জী আৰু ঘাঁইকৈ “মণিৰাম দেৱানৰ” পৰা আনি দেখুৱা হৈছে।

আহিন কাতিত লোণপুৰীয়া পাইক গৈ লোণ পুঙ্গৰ কাষত চালি কৰেগৈ। বাহঁৰ চুঙ্গাত লুণীয়া পানী ভৰাই ঘৰাৰ ওপৰত পগায়। অলপ টান মাৰিলেই অন্য চুঙ্গাত বাকী থয়। ১০০ৰ পৰা ৩৫০টা তেনে চুঙ্গাত /॥ সেৰৰ পৰা /৵ সেৰলৈ লোণ পোৱা যায়। বাঁহৰ খৰাহিৰ ফুটাই লোণ পানী ঢালি জুইৰ ওপৰত গৰম কৰিলেই নিমখ ওলায়।

শিৱসাগৰৰ বৰহাটৰ পৰা ২৪টা পৰ্ব্বত বগাই গৈ লোণৰ পুং বিলাক পায়গৈ। তাত ২২টা ডাঙ্গৰ পুং আছিল। নামচাঙ্গৰ টাৰিংজান পুঙ্গত আটাইতকৈ বেচি লোণ পোৱা গৈছিল। তাৰ /১ সেৰ পানী পগালে আধা পোৱা লোণ পোৱা যায়। সেই দৰে মহঙ্গৰ লোণ পুং বিখ্যাত। মণিপুৰ ৰাজ্যত লোণৰ পুং থকাৰ হেমিল্টন চাহাবে লিখি গৈছে, জয়ন্তীয়া, গাৰো, মিকিৰ, খামতি, আবৰ, ভোট, কছাৰী, কোচ আদি ৰাজ্যতো অনেক ঠাইত না না ধৰণৰ লোণ পোৱা গৈছিল।

জয়ন্তীয়াৰ ৰাজহাটত, কুকুৰীয়া হাটত গাৰোবিলাকে নিমখৰ বেপাৰ কৰিছিল। সেইদৰে জয়পুৰৰ বৰহাটত ডোখৰীয়া লোণৰ বেপাৰ হৈছিল। বাহিৰৰ লোণ আমাৰ দেশলৈ যুদ্ধ আদি কাৰণত নাহিলে শদিয়াৰ লোণ পুঙ্গতে সকলোৱে নিৰ্ভৰ কৰিছিল। এই লোণ পুঙ্গৰ বিষয়া এজন বৰুৱাই নিমখৰ বেপাৰৰ কাৰণে বছৰি ৰজা ঘৰত ৪০০০০৲ টকা কৰ হিচাবে সোধাব লগা হৈছিল। নগা পৰ্ব্বততে বেছি লোণ

আছিল। এই লোণৰ কাৰণেই কছাৰী আৰু আহোমৰ বহুবাৰ ৰণ হৈছিল। আহোম ৰজা সকলে নগাৰে ভৈয়ামৰ মানুহৰ লোণৰ বেপাৰ চলিবৰ কাৰণে বহুত নগাহাট কৰি দিছিল। ১৮০৯ চনত শদিয়াৰ লোণ পুঙ্গৰ পৰা বছৰেকত ডুকুৰি হাজাৰ টকাৰ লোণ পোৱা গৈছিল। মিঃ পেম্বাৰষ্টনৰ ৰিৰ্পট মতে এইদেশৰ লোণ বিদেশৰ লোণতকৈ উৎকৃষ্ট আৰু মূল্যবান। অসমীয়া মানুহৰ যেনেকৈ লোণপুৰীয়া পাইক আছিল নগাৰো তেনেকৈ লোণপুৰীয়া পাইক আছিল। নগা বিলাকে সমূহীয়াকৈ উপাৰ্জ্জন কৰা লোণ সমানে ভগাই লয় আৰু তাৰ ওপৰঞ্চি খিনি ৰজাঘৰত কৰ স্বৰূপে দিয়ে। লোণ পুঙ্গৰ তত্ত্বাৱধান লবলৈ ইজাদাৰ বা লোণপুৰীয়া বৰুৱা থাকে। নগা সকলে ফাকত লোণ আনি ভৈয়ামৰ মানুহৰ লগত চাউল বগীতাম, খাৰুৱা কাপোৰ শুকান মাছলৈ সলায়। নগাহাট বিলাকত নগাই পৰ্ব্বতৰ পৰা লোণ আনি সমথলৰ মানুহৰ লগত বেপাৰ কৰোতে অনেক সময়ত নগা আৰু অসমীয়াৰ ভিতৰত বন্ধুত্ব ঘটে।

সেই বিলাকক নগাই মিতা, কুটুম সম্বন্ধেৰে মাতে। /১ সেৰ চাউলত /১ সেৰ লোণ এটকা কাণিত /৮ /১২ সেৰ লোণ পোৱা গৈছিল। মটক বিলাকে খৰালি এই হাট বিলাকলৈ আহি চাউল, গুৰ, কণী, এড়ি মূগাৰ কাপোৰ দি নগাৰ পৰা যথেষ্ট লোণ নিয়ে। নগাপৰ্ব্বতৰ কোনো অঞ্চলৰ বোলেং নামৰ এটা লোণ পুঙ্গত এখন শিলৰ নাও আছে বুলি মণিৰাম দেৱানৰ

বুৰঞ্জীত লিখা আছে । সেই নাৰত লিখা আছে "সলাল গোহাঁইৰ বাহিৰে লোণ পুঙ্গত লোণ উলিয়াওতা আৰু অসমত আন এজন সুপণ্ডিত কোন আছে"। (মণিৰাম দেৱান)

মানুহৰ মুখে শুনা যায় নামচাঙ্গৰ পৰা এবেলাৰ বাট গলে এখন নদীৰ কাষতে এটি শিলৰ মূৰ্ত্তি আছে। সেই মূৰ্ত্তিৰ কাষতে লোণ পুং আছে । এতিয়াও তাৰ লোণ নগাই ব্যৱহাৰ কৰে । ভূটিয়া, আবৰ, দফলা, মিচিমি খামতি সকলেও আহোম ৰজাক লোণ দিছিল।

লোণ বিলাকৰ বেলেগ বেলেগ শ্ৰেণী আছিল। যেনে ফলীয়া লোণ, চিকন লোণ, মঝালি লোণ, গোটা লোণ, খা লোণ, বেয়া খা লোণ ।

মোৱামৰীয়াক দমাবলৈ অহা কোম্পানীৰ চাহাবৰ লগত স্বৰ্গদেও গৌৰীনাথ সিংহৰ বানিজ্য চুক্তি এখন হয় । সেই চুক্তি অনুসৰি বঙ্গাল আৰু অসম সীমান্তত বহুত চকী (হাট) স্থাপন হয় । তাৰ ভিতৰত হাদিৰা চকীয়েই প্ৰধান । তাৰ তলে আৰু ৭ খন সৰু চকী বহিছিল । এই চকী বিলাকৰ পৰা ফিৰিঙি বিলাকে ঘাইকৈ লোণৰ বেপাৰ কৰিছিল । তেনেকৈ গোৱাল-পাৰাৰ যোগীঘোপাৰ চকী বিলাকত ইউৰোপীয় না না জাতিৰ কুঠী আছিল । তেওঁলোকৰ কুঠী বিলাকত নিজ নিজ দেশৰ নিচান আঁৰিছিল । কান্দাহাৰতো চকী আছিল । প্ৰথমতে বঙ্গদেশৰ দেশীয় মানুহেও অসমৰ লগত লোণৰ বেহা কৰিছিল । কিন্তু সেই সময়ত বঙ্গদেশ সম্পূৰ্ণ কোম্পানীৰ তলত থকাৰ কাৰণে দেশীয়

মানুহৰ বেপাৰত ফিৰিঙি বিলাকে হাত দিছিল। " The merchants of Bengal (Bengalees) should in the same manner be permitted to sell whatever goods he choose except salt. " (Hamillton) চাহাব লোকে বেচকৈ বুজিছিল যে অসমীয়াই লোণৰ বাহিৰে বিদেশীৰ অন্য বস্তু কেতিয়াও নিকিনে। এওঁলোকে লোণলৈ সোণকো সলায় গতিকে সেই বেপাৰ বঙ্গালীক দিয়া নাছিল। সেই সময়ত ঢাকাৰ নাৰায়ণ গঞ্জত আৰু হাওৰা ঘাট আদি ঠাইৰ পৰা লোণ অনা হৈছিল। অসমৰ ফালে এই চকীত এজন বৰুৱা আছিল। এই বৰুৱাই বছেৰেকত ৰজাৰ ভঁৰাললৈ চকীৰ হৈ ৪৫০০০৲ টকা দিব লাগে। এবছৰত ১০০০০০ লাখ মোন লোণ অসমলৈ সেই চকীয়েদি আহিছিল। দেশত মোৱামৰীয়া বিদ্ৰোহ হোৱাত বছৰি ৩৫০০০ মোনকৈ কমে সেই সময়ত লোণৰ বেপাৰ লৈ ফিৰিঙি বঙ্গালী আৰু অসমীয়াৰ লগত না না বাদ বিসম্বাদো হৈছিল। ইফালে লোণৰ বজাৰত চোৰাং কাৰবাৰ সোমাল। তেতিয়া চাহাব সকলে স্থিৰ কৰিলে। " Still however the best Judges whom I have consulted seems to think that the restoration of an European monopoly would increase the Export of salt to 60'000 munds (Account of Assam by Hamillton P. 4' 42, 43, 44) ৰজা ঘৰৰ পৰা চোকা পহৰা থকাতো আৰু চাহাব সকলৰ হিলৈদাৰী

চন্তৰীৰ চকুত ধূলি মাৰি চোৰাং বেপাৰী হঁতে অজস্র লাভ কৰিবলৈ ধৰিলে। চকীৰ বৰুৱাই কেতিয়াবা ১০২ মোন নিমখৰ বাবে ৫০০ ৰ পৰা ৬০০ টকাও দিব লগা হৈছিল।

ইমান দাম দি নিমখলৈও বৰুৱাজনে আওঁপাকে বহুত লাভ কৰিছিল বুলি লিখা আছে। চোৰাং বেপাৰী বিলাকে হাওৰা ঘাটত মোনে ৮ টকাকৈ নিমখ কিনি কোম্পানীৰ চন্তৰীয়ে তৰ্কিব নোৱাৰাকৈ অসমত মোনে ৮০ টকাৰ পৰা ১০০৲ টকাকৈ নিমখ বেচিছিল। কোম্পানীৰ সেৰে ৫৷৷০ টকা দৰে নিমখ আছিল। শেষৰ ৰজা সকলৰ দিনত বঙ্গালৰ পৰা বছৰি ১৯২৫০০৲ টকাৰ লোণ অনা হৈছিল। মিঃ ৰোষ চাহাব লোণৰ বেপাৰী আছিল। তেওঁক বঙ্গদেশৰ কিছুমান দুৰ্দ্দান্ত মানুহে লুটপাট কৰি হত্যা কৰিছিল। ইয়াৰ ওপৰিও ভোটানৰ নামনিয়েদি, ৰংপুৰেদি, চিলেটৰ ফালে আমাৰ দেশলৈ নিমখ আহিছিল। কোম্পানীৰ পৰা চকীহাটৰ বৰুৱাই শতকৰা -ভাগ লাভৰ অংশ পাইছিল। গাভৰু পৰ্ব্বতৰ নিমাৰামক লোণপুৰীয়া বৰুৱা পাতি শিৱসাগৰৰ লোণ পুং বৃাছৰ প্ৰথম দখলৰ সময়ত ৩৫০০ টকাত এজন সৰবৰাহকক দিয়াত, নগাৰ লগত বিৰোধ হয়। পুৰন্দৰ সিংহৰ দিনত নামচাং, নামৰূপ বৰহাটৰ লোণ পুঙত অসমীয়া আৰু নগাই একে লগে গোটা লোণ কৰিছিল।

লোণৰ দৰে অনেক ধৰণৰ খাৰযুক্ত বস্তু আমাৰ দেশত সৰ্ব্ব সাধাৰণ মানুহে কৰিছিল। সেইবিলাক

কলগছ, পুনি, শেলুৰৈ, ডিমৰুগছ, আদি না না গছ-লতা মধুনা আদিৰ পৰা কৰিছিল। কিছুমান খাৰ লোণৰ দৰে বগা আৰু চোকা কৰিছিল। এইবিলাক মানুহে খোৱাত, কাপোৰ কানি ধোৱাত আৰু জন্তু আদিৰ ঔষধত ব্যৱহাৰ কৰিছিল।

তোপ হিলৈৰ যি খাৰ তাক প্ৰত্যেক অসমীয়াই কৰিব জানিছিল। যি প্ৰজাই ৰজাঘৰত খাৰ যোগাব নোৱাৰিছিল, তেওঁ তাৰ পৰিবৰ্ত্তে এটা কৰ দিব লগাত পৰিছিল। প্ৰত্যেক গৃহস্থই নিজৰ গোহালিৰ পৰা বা অন্য প্ৰকাৰে য'খাৰ তৈয়াৰ কৰি টকৌপাতত বান্ধি ভঁৰালত দিব লাগে। তাকে শোধন কৰি তোপৰ খাৰ কৰে। এই শিল্পৰ তদকাৰ লোৱা জনক খাৰঘৰীয়া ফুকন আদি বোলা হৈছিল। শিৱসাগৰৰ বৰডোবা, খাৰঘৰীয়া ডোবা, গুৱাহাটীৰ খাৰঘুলি আদি নামৰ বহুত খাৰ কৰা স্থান আছিল। খাৰ কৰা দৰে আমাৰ দেশৰ সৰ্ব্বজন বিদিত শিল্পটো এতিয়া একেবাৰে লোপ পালে আৰু তাৰ বিষয়ে জানিবলৈকো উপায় নোহোৱা হল। এজন মুছলমান লিখকৰ মতে অসমৰ হিলৈৰ খাৰবিলাক বৰ মিহি আৰু উৎকৃষ্ট আছিল। নষ্ট হৈ যোৱা কিছুমান খাৰ মাটিৰ দুই তিনি হাতৰ তলত দেখিবলৈ পাইছিলো।

মাটিৰ শিল্প (Ceramic)

মাটিৰ শিল্পত প্ৰাগঐতিহাসিক যুগৰ পৰা পুৰণা কামৰূপ ৰাজ্যই সুখ্যাতি লাভ কৰি আছিল। মিঃ দিস্কিট চাহাবৰ মতে আমাৰ দেশৰ মাটিৰ পাত্ৰ আদি ভাৰতৰ অন্যান্য দেশৰ মাটিৰ পাত্ৰতকৈ বেছি পুৰণা আৰু উৎকৃষ্ট। মাটিৰ শিল্পৰ ভিতৰত ইটা এটা প্ৰধান শিল্প আছিল। অসমত ইটাৰ শিল্প সেই দিনত প্ৰধানকৈ আহোম আৰু কছাৰী ৰাজ্যত আছিল। ইটা কৰাৰ কেইবা প্ৰকাৰো নিয়ম আছিল। ৰংপুৰৰ ইটাশালত মাটি ধুৰমুচেৰে খুন্দি গুৰি কৰি, চালনিৰে চালি মা-মচলা দি পানী মিহলাই সমান পকী খোলাত ঢালি দিয়ে। অলপ টান মাৰিলেই দীঘল দীঘল চেপেতা মাৰিৰে (স্কেল) প্ৰয়োজন মতে সৰু, বৰ, ডাঠ পাতলকৈ দীঘল ছুৰীৰে কাটে। অন্য এটা নিয়ম হল মাটি বোকা কৰি মাটিমাহৰ গুৰি, লালী দি সাঁচত মাৰি ইটা কৰে। কিছুমান ইটাত কেচাতে না না ফুল-জালি জন্তু, চৰাই, দেৱ-দেৱী, মানুহৰ মূৰ্ত্তি আখৰ, ৰজাৰাণীৰ মূৰ্ত্তি আদিৰ সাঁচ মাৰি শুকাই পোৰে।

বেলেগ বেলেগ ঠাইত লগাবলৈ বেলেগ বেলেগ ধৰণৰ ইটা যেনে তিনিকোণীয়া, এফলীয়া, বিন্ধা থকা কৰ্দ্দৌশিৰীয়া ঘুৰণীয়া আদি ইটা বিলাক ইটা শালতে ভোটা কৰি জালদি পুৰিছিল। তাৰ পাছত জোকৰ

তেজেৰে তাৰ ওপৰত বোলাইছিল। এই সম্পৰ্কে শুনা যায় যে জোকতলি নামৰ ৰংপুৰ নগৰৰ কাষত থকা এক অঞ্চলত মহবিলাক দলনিত নমাই দিছিল। সেই মহবিলাকৰ তেজ শোহি জোক বিলাক যেতিয়া পুৰঠ হয়, তেতিয়া মহবিলাক পানীৰ পৰা বামৰ সমান খলালৈ উঠাই আনে। তেজখোৱা জোকবিলাক সৰি পৰে আৰু সেই বিলাকক খুৰেৰে কাটি তাৰ তেজ গোটাই ইটাবিলাক জুবুৰিয়াই দিয়ে অথবা তেজ ইয়াত সানি দিয়ে। তেতিয়া ভোটাৰ পৰা নমোৱা ইটাত তেজ লাগি এটা কঢ়াল বান্ধে। ইয়েই ইটা চকচকীয়া আৰু টান কৰে। পুৰণা ভাৰততো "ব্ৰজলেপ" বোলা এটা কঢ়াল বা এঠা আছিল। সেই বস্তু মহৰ চাল বিলাক সিজাই কৰা হৈছিল। বুৰঞ্জীত আছে যে কছাৰী ৰজা চক্ৰধ্বজৰ দ্বাৰা ডিমাপুৰ নগৰ ইটাৰ কৰা হৈছিল। বহুতৰ মতে এই ইটাৰ নগৰ বহুত দিনৰ আগৰ। ইটাৰ ওপৰত না না চিত্ৰ বিচিত্ৰ ফুল, লতা মূৰ্ত্তি আদি থকা পোৰা মাটিৰ শিল্প (টেৰাকোটা) বোলে। Eric. T D. Lambert ৰ মতে অসমত আহোম যুগত কৰা ইটা আৰু মচলা (কৰাল) ইউঠিয়া ৰাজ্যৰ ইটা আৰু কৰালৰ লগত একেবাৰে মিলে। এই ইউঠিয়া ৰাজ্য মেনাম নৈৰ উপত্যকাত থকা এখন টাইবিলাকৰ পুৰণা সমৃদ্ধিশালী নগৰ। পুৰণা ইটা-বিলাক পাতল আৰু মিহি। আজি কালিৰ চিমেণ্ট বালিৰে তাক গাঠিব নোৱাৰি। পুৰণা চিমেণ্টেৰে গাঠিলেহে ৰয়। জয়সাগৰৰ ঘনশ্যাম দ'লত এনে ফুলাম

আৰু মূৰ্ত্তি থকা ধুনীয়া ধুনীয়া টেৰাকটা অসংখ্য আছে। ইটা এটা প্ৰধান শিল্প আছিল। ইয়াৰে দ'ল-দেৱালয় সাঁকো, মৈদাম, গড়, কাৰেং, আদি তৈয়াৰ হৈছিল।

অলপতে প্ৰকাশ হোৱা চাংৰুঙ্গ ফুকনৰ বুৰঞ্জীত শিৱসিংহ স্বৰ্গদেৱৰ মৈদামত লগোৱা ইটাৰ হিচাব এনে দৰে পোৱা হৈছে। মৈদামৰ গহ্বৰত লগোৱা ইটা ৫৭০০০০ চটা, টাকৰ ওপৰত ৩৮৭৩৬০, ওপৰৰ ঘৰটিত ১৭১০০, গড়ত ১৯১০০০, গা মৈদামত ৩৬০০০০, সৰ্ব্বমুঠ সেই মৈদামত ইটা ১২২৫৪৬০ খন। তেনেকৈ ৰাজেশ্বৰ সিংহৰ মৈদামত ইটা মুঠ ৪৩৫৩২৩. খন, ইটাৰ শাল পাতিছিল ২০ খন, চমাৰ শাল ১০ খন। এই ভাবে এই বুৰঞ্জীত কোন কামত কিমান ইটা, চূণ শিল আদি লাগিছিল তাক সম্পূৰ্ণকৈ সেই বুৰঞ্জীত দিয়া আছে ;

ইটা শিল্পৰ বাহিৰেও মাটিৰ অন্য শিল্পত অসম বৰ চহকী আছিল। মাটিৰ ডাঙ্গৰ ডাঙ্গৰ মঠীয়া ২॥ হাত ৩ হাতলৈকে ডাঙ্গৰ আমি দেখিছোঁ। এই মঠীয়া বিলাকত ধন সোণ থোৱাৰ উপৰিও কাপোৰ কানি চাউল আদি থোৱাৰ নিয়ম আছিল। মাটিৰ দীঘলীয়া মঠিয়াৰ দৰে তলি নথকা ডাঙ্গৰ পাত্ৰ আছিল। এই বিলাক সৰ্ব্ব সাধাৰণতে মৰঙ্গৰ মঠিয়া আছিল। অৰ্থাৎ মাটিত গাত খানি এটাৰ ওপৰত আন এটা খোৱাই ২০, ৩০ হাত মান তললৈ বহুৱাই তাত শৌচাচাৰ কৰিছিল।

এই বিলাকৰ ওপৰিও মাটিৰ নলা (পাইপ) আছিল। জয়সাগৰৰ পৰা প্ৰায় এমাইল দীঘল মাটিৰ পাইপ মাটিৰ তলেদি পকী গাঠনিৰ মাজেদি ৰংপুৰ কাৰেঙলৈ নিছিল। ইয়াৰে কাৰেঙৰ কাষত থকা মিঠা পুখুৰীলৈ জয়সাগৰৰ পানী নিছিল। সেই নলা বা পাইপৰ ভালেমান অংশ এতিয়াও আছে। পকী পাইপ বিলাকৰ জোখঃ—দীঘলে ১'৬" ব্যাস ১০'৬" মেৰে ২'৯" বিন্ধা ৬'৬" এই দৰে কাৰেং আদিৰ ওপৰ মহলাৰ পানী তললৈ অহাৰো সৰু মাটিৰ নলা আছে। ফলীয়া মাটিৰ নলা বিলাকেৰে নাওৰাৰ কাম কৰে। তেনেকৈ ভগা ইটাৰ টুকুৰাৰে মছলা মিহলায় ডাঙৰ ডাঙৰ চতিয়া পকা (Slabs) কৰিছিল। পকী নাদৰ পাট (ৰিং) সকলো কুৰাঁতে ব্যৱহাৰ কৰিছিল। এই বিলাকৰ উপৰিও মাটিৰ গাগৰী, মুটকী, কলস, ঘট, টেকেলি, টিপা, টাৰি, চৰু, মলা, শৰাই, বান, গিলাচ কাঁহি বাতি, নদীয়া টৌ, জকা, গছা চাকি, হাতচাকি, কপৌচাকি, ফুলদানি, দবা, ঢোল, খোল, মৃদঙ্গৰ খোলা, সানেকী, তুনৰী, পুতলা ভাবুকী, আদি সকলো বস্তু তৈয়াৰ হৈছিল। ৰংপুৰ অঞ্চলত কিছু তললৈ খানিলেই য'তে ত'তে এনেকুৱা অসংখ্য বস্তু পোৱা যায়। এই মাটিৰ বস্তু বিলাক পাতল মিহি আৰু কাৰু-কাৰ্য্য খচিত। সেই সময়ত আমাৰ কুমাৰ সকলে চাকতকৈ হাতেৰে পিতিয়েই ধুনীয়া ধুনীয়া বস্তু কৰিছিল। চাকৰো ব্যৱহাৰ আছিল। কিছুমান মাটিৰ বস্তু শিলৰ দৰে টান। পুৰণা কালত আমাৰ মানুহে ৰন্ধন কৰা কাৰ্য্যত মাটিৰ পাত্ৰকে বেচিকৈ ব্যৱহাৰ কৰিছিল।

খোৱাতো তাকেই ব্যৱহাৰ কৰিছিল । ৰজা ঘৰত ৰন্ধাটো মাটিৰ চৰুত হলেও খোৱাটো সোণৰ মাইহেঙ্গত হয় । মাটিৰ পাত্র পবিত্র আৰু শৰীৰৰ কোনো অনিষ্ট কাৰক নহয় বুলি আমাৰ মানুহে বহু দিনৰ পৰাই জানে । স্বৰ্গদেউ প্ৰতাপ সিংহই মৰঙ্গিয়াল মানুহ বেহাৰলৈ পঠাই মাটিৰ মূৰ্ত্তি সাজিবলৈ শিকোৱাই দেশত মূৰ্ত্তি সজোৱালে ।

(কড়াল) গাঠনিৰ মচলা বা চিমেণ্ট (Cement)

কড়াল বা মচলাঃ – আমাৰ দেশত চিমেণ্ট ব্যৱহাৰ কৰাটো বহুত পুৰণি কথা নহয় । আগতে চূণ-চূৰ্কিৰেহে ইটা গঠাঁ হৈছিল । স্বৰ্গদেও সকলৰ দিনত এই মচলাক কড়াল বুলিছিল । চাওৰুং ফুকনৰ বুৰঞ্জীৰ পৰা আনি দেখুওৱা হৈছে যে স্বৰ্গদেও গদাধৰ সিংহৰ মৈদামত “ ঘৰ পকা কৰি দিয়াত, ইয়াতে লাগিছে তলৰ তলাত গুৰ ৫৬৮১ কলহ, মাহ (মাটিমাহ) ৬৯৬ ঢোল, শন ৬৩৫ ঢোল, শিলচূণ, ২৬০০ ঢোল, শামুকচূণ ১৪৭০০ ঢোল, চকাচূণ, ৭১৩৮ কলহ, মাছ ১৮৬ ডাঙ্গ, তেল ২৪ ডাঙ্গ, ধূনা ২৪০ সেৰ কড়ালৰ গাত (Cement pit) ১৭৬ টা, এই মচলাৰ হিচাব মাত্র মৈদামটোৰ তলৰ অংশ সজাত ব্যৱহাৰ কৰাৰহে ওপৰ মহলা বিলাকত আৰু

আছে। এই বিলাক কড়ালৰ বাজ্জেও ডবা, ঢোল, খোল, মৃদং, ঢাক আদি, চোৱাত কৰ্কৰা ভাত আৰু লোৱৰ কৰাই বা গুৰি দি বাজনাৰ মাত উলিয়াইছিল। না না ধাতুৰ গুৰি, জন্তুৰ চৰ্ব্বি, উদ্ভিদ আৰু পোক পৰুৱাৰ লাদৰ পৰাও মিহি কামৰ কৰাল কৰিছিল।

শিল (Stone)

আমাৰ দেশখন পৰ্ব্বতেৰে ভৰা। মুঠ মাটিকালিৰ তিনিভাগৰ দুভাগেই পাহাৰ। গতিকে শিলৰ শিল্প অতি আদিম যুগৰে পৰা অসমত থকাতো স্বাভাবিক। প্ৰাক বুৰঞ্জীকালৰে পৰা শিলৰ কাম জনা মানুহ বা শিলাকটীয়া আমাৰ দেশত আছিল। নৰকাসুৰৰ দিনৰে পৰা তাৰ নিদৰ্শণ পোৱা যায়। কামাখ্যা মন্দিৰলৈ যোৱা খটখটি নৰকাসুৰৰ দিনৰে বুলি বহুতে অনুমান কৰে। আহোম বিলাক অহাৰ বহু আগৰে পৰা কামৰূপ ৰাজ্যৰ ৰজা সকলৰ দিনত শিলৰ শিল্পৰ অতি উৎকৃষ্ট কামৰ নিদৰ্শণ য'তে ত'তে দেখিবলৈ পোৱা যায়। এই শিল্পৰ লগত ওখখাপৰ ভাস্কৰ্য্য নিহিত আছে। খাচীয়া জয়ন্তীয়া পাহাৰত শিল্পৰ কাম বুৰঞ্জীয়ে ঢুকি নোপোৱাৰ কালৰে পৰা আছিল।

দহা পৰ্ব্বতীয়াৰ শিলত কতা তোৰণ খনিৰ কাৰুকাৰ্য্য গুপ্ত যুগৰ ভাস্কৰ্য্যৰ লগত ৰিজাব পাৰি।

তেনেকৈ তেজপুৰ বামুণী পাহাৰৰ শিলৰ ভাস্কৰ্য্য; হৰপেশ্বৰৰ শিলৰ কাৰুকাৰ্য্য, নুমলীগড় আৰু উত্তৰ পূব সীমান্তৰ মালিনী থানৰ কাৰুকাৰ্য্য অতি চমৎকাৰ। এই ভাস্কৰ্য্য বিলাকে পুৰণি অসমৰ সভ্যতাৰো ইন্ধন যোগাইছে।

শিলৰ ডাঙ্গৰ ডাঙ্গৰ নিৰ্ম্মান কাৰ্য্য বিলাকৰ ভিতৰত মঠ-মন্দিৰ, গড়, ঘৰ, সাঁকো, আলি, কুণ্ড, তোৰণ পিৰালি (Plinth) শিলৰে বন্ধোৱা পুখুৰী, খট্‌খটি, বৃহৎ, স্তম্ভ, আদিয়েই প্ৰধান। বৃহৎ শিলৰ কাম বিলাক নাওঠা নহয়। ই অতি উৎকৃষ্ট কাৰুকাৰ্য্যেৰে ভাস্কৰ্য্যৰে সংমিশ্ৰণ। আমাৰ প্ৰাগ আহোম যুগৰ আৰু আহোম যুগৰ কছাৰী ৰাজ্যৰ, জয়ন্তীয়া ৰাজ্যৰ, কোচ ৰাজ্যৰ, ছুটিয়া ৰাজ্যৰ, খামতি ৰাজ্যৰ, এই দৰে থল পৰ্ব্বত সকলোতে শিলৰ ডাঙ্গৰ ডাঙ্গৰ কাম বিলাক আছিল। তাৰ চিন আজিও দেখিবলৈ পোৱা যায়। কামৰূপ দৰং আৰু নগাওঁ জিলাত থকা পুৰণি শিলৰ মঠ মন্দিৰৰ ভগ্নাংশ বিলাকৰ খনিকৰী বিদ্যা আহোম যুগৰ শিলৰ কামত কৈ ওখ খাপৰ।

স্বৰ্গদেও সকলৰ দিনত শিলৰ শিল্পটোত ভালকৈ মনোনিবেশ কৰিছিল। অসংখ্য শিলাকুটীয়া পাইকৰ খেল কৰি শিলৰে মঠ মন্দিৰ মৈদাম, সাঁকো আদি কৰোৱাইছিল। শিলৰ সাঁকোৰ ভিতৰত নামদাং নৈ শিলৰ সাঁকোৱেই প্ৰখ্যাত। এই শিলৰ সাঁকোৱে আজি আঠৈশৰ ওপৰ বছৰে অসমৰ ৰাজহাড় স্বৰূপ ট্ৰাঙ্কৰোড-টোক ইয়াৰ বুকুৰে পাৰ কৰিছে আৰু নিতৌ হাজাৰ

বিজ্ঞাৰ যান-বাহনৰ ভৰ সহিছে। এই শিলৰ সাঁকোৰ মেৰামতিৰ প্ৰয়োজন এতিয়ালৈকে হোৱা নাই । এই সাঁকো ২০২ ফুট দীঘল, ২১॥ ফুট বহল, আৰু ৫॥ ফুট ডাঠ ইয়াৰ তলেদি ৭টা ধোঁন্দ আছে । পানীত থকা খুটাৰ তলৰ চোৱাত তিনি কোনীয়া শিলৰ পানীৰ সোঁত ভঙ্গা কৌশল আছে। সাঁকোৰ দুই বেৰত মূৰ্ত্তি কটা আছে । এই খনৰ উপৰিও দৰিকা শিলৰ সাঁকো, ৰহদৈ শিলৰ সাঁকো, ডিমৌৰ শিলৰ সাঁকো, আছে। কিছুমান ভাগিছে। তেনেকৈ উত্তৰ গোৱাহাটীৰ শিলৰ সাঁকো, কছাৰী ৰাজ্যৰ ৰাজধানী ডিমাপুৰৰ বালি শিলৰ তোনৰ স্তম্ভ, স্তূপ না না কাৰুকাৰ্য্যৰে এতিয়াও ঠিয় হৈ আছে। মাইবঙ্গৰ কাষৰ মাহুৰ নৈৰ মাজত থকা শিলৰ মন্দিৰ, কছাৰী ৰাজ্যৰ উৎকৃষ্ট শিল শিল্পৰ চিন ।

শিলৰ ডাঙ্গৰ কাম বিলাকৰ উপৰিও পৰ্ব্বতৰ গাত না না চিত্ৰ বিচিত্ৰ পট কটা, মূৰ্ত্তি কটা, শিৱলিঙ্গ কটা ফলি কটাও এটি সূক্ষ্ম আৰু উচ্চ শিল্প। নিজ চকুৰে শিলৰ কাৰুকাৰ্য্য নেদেখিলে এই শিল্প সম্পৰ্কে অনুভৱ কৰিব নোৱাৰি। আমাৰ দেশতো অশোক স্তম্ভৰ দৰে সৰু হলেও ভালেমান শিলৰ স্তম্ভ পৰ্ব্বত হাবিত ঠিয়হৈ বা পৰি আছে। সেই বিলাকৰ সম্পৰ্কে ভালদৰে গবেষণা হোৱা নাই । এই শিলৰেই হওক, মাটিৰেই হওক, নতুবা কোনো ধাতুৰেই হওক তাৰ গবেষণাৰ নিৰ্দ্দিষ্ট পাঠ্য তালিকা আছে। এই বিলাক জনা বিষয়টো সম্পূৰ্ণ বৈজ্ঞানিক। এই বস্তু বিলাকৰ ভাস্কৰ্য্যৰ বিষয়ে নতুবা যুগ কালৰ বিষয়ে

জানিবলৈ হলে যথেষ্ট অধ্যয়ণ লাগে । কিন্তু দুখৰ বিষয় আমাৰ দেশত তেনে লোক নাই । এই বিলাকৰ জটিল কথাটো কোনো লোকে শিলৰ কিবা এটা পালেই তাৰ ওপৰত তৎকালে গবেষণা কৰি এটি মন্তব্য দিবলৈ কুণ্ঠিত নহয় । ফলত সত্যৰো অপলাপ হয় । যেনেকৈ শিৱসাগৰ আৰু ৰংপুৰৰ সকলো বিলাক শিল ইটাৰ কাম, বহুতে কোনোবা এজন ঘনশ্যাম বঙ্গালী মিস্ত্ৰিয়ে কৰা বুলি কয় আৰু লিখে । এই ঘনশ্যাম বোলা কাড়িকৰ জননো ১৭৬৯ খ্ৰীঃ (ৰুদ্ৰসিংহৰ পৰা) লক্ষ্মীসিংহ স্বৰ্গদেৱৰ দিনলৈকে (১৭৮২ খ্ৰীঃ) প্ৰায় ১০০ বছৰ কাল আয়ুস লৈ আহোম ৰাজত্বৰ সকলো দ'ল দেৱালয় সাঁকো সাজিব পাৰিছিল নে আৰু তেওঁ ওপজা দিনৰে পৰা মৰালৈকে এই কাম কৰিছিলনে ? আমি বহুত পুৰণা বুৰঞ্জীত ঘনশ্যাম নামৰ খনিকৰৰ নাম পোৱা নায় । মাত্ৰ আছে " এফালে বঙ্গালে এফালে আমাৰ মানুহে এই কাম বিলাক কৰিছিল বুলি । প্ৰায় বঙ্গাল কাড়িকৰ মোগলৰ পৰা অনা । তেনেকৈ মুংকাঙ্গ (বৰ্ম্মাৰ ভিতৰত) কছাৰী, জয়ন্তীয়া আদি দেশৰ ওজা বা কাড়িকৰকো ৰংঘৰ, আদি সজাত লগোৱাইছিল । কাৰেং আদিত সেই কাৰণে মোগল ভাস্কৰ্য্যৰ আৰ্হি দেখিবলৈ পোৱা যায় ।

এই বিলাক বৃহৎ শিল্পৰ পাছতে আমি শিলৰ মজলীয়া আৰু সূক্ষ্ম শিল্পৰ বিষয়ে ভালেমান কথা পাওঁ। ইয়াৰ ভিতৰত শিলৰ চালপীৰা, শিলৰ ডাঙ্গৰ পাত্ৰ, ডাঙ্গৰৰ পৰা সৰুলৈকে বিভিন্ন দেৱ দেৱীৰ মূৰ্ত্তি,

শিলৰ ধুনীয়া ধুনীয়া পুতলা না না ধৰণৰ সৰু ডাঙ্গৰ পাত্ৰ, শিলৰ নাও পৰ্য্যন্ত কৰিছিল। শিলৰ ফুলবচা এখন ডাঙ্গৰ চালপীৰা এতিয়াও চৰাই দেউৰ ওচৰৰ বনতুম দেৱালয়ৰ ভগ্নাৱশেষত পৰি আছে। শিলৰ কলসী কেইবাটাও য'তে ত'তে পৰি আছে। তেনেকৈ শিলৰ ধুনীয়া ধুনীয়া ফুল মূৰ্ত্তি কটা দেৱ-দেৱীৰ আসন বিলাকো প্ৰায় মন্দিৰতে দেখা যায়। শিলৰ পৰা না না ওজনৰ তোপৰ গোলাও কৰিছিল। পৰ্ব্বতৰ গাত কতা শিলৰ ফলি অনেক স্থানত দেখিবলৈ পাব। সেইদৰে আখৰ কতা শিলৰ খুটাও পাব।

সেই সময়ত আমাৰ মানুহে পৰ্ব্বতৰ পৰা বোকা-শিল, বালি শিল, কষটি পাথৰ, বগা, নীলা, কলা, আদি শিল, জৰথ শিল, লঠিয়া শিল, চতিয়া শিল, আদি বিভিন্ন প্ৰকাৰৰ শিল বিলাক সংগ্ৰহ কৰি হাতী নাৱৰ সহায়েৰে ভৈয়ামলৈ আনি না না কামত ব্যৱহাৰ কৰিছিল। শিৱসাগৰৰ শিৱদ'লৰ শিলবিলাক নাগিনী-মৰাৰ পৰা আনি তাত ফুল জালি মূৰ্ত্তি কাটি দ'লৰ গাত লগাইছিল। ডাঙ্গৰ ডাঙ্গৰ শিলবিলাকত লো বিন্ধনাৰে গাঁত কৰি মিঠাতেলৰ শলিতা মেৰাই খাৰদি ফালিছিল। তেনেকৈ শিলকটা বৰচাচৰে শিল বিলাক মিহিকৈ ফালিছিল। এতিয়া এই বিলাক বিদ্যা মাত্ৰ মনিপুৰ, খাচিয়া জয়ন্তীয়া পৰ্ব্বত আৰু লুচাই গাৰোতহে অলপ হলেও আছেগৈ। পৰ্ব্বতৰ গাত ফলিকটা, মূৰ্ত্তি-

কটা আদি কাম বিলাক আমাৰ লিখিব পঢ়িব নজনা শিলাকুটীয়াইও নক্সা বা আখৰ চায়েই ধুনীয়াকৈ কাটিছিল।

চূণ শিল (Lime Stone)

চূণ শিল আৰু শামুক চূণঃ—

শিলৰ উৎকৃষ্ট শিল্পৰ ভিতৰত অতি প্ৰয়োজনীয় আৰু লাভবান শিল্প আছিল, শিলচূণ সংগ্ৰহ কৰি তাৰ পৰা শিলচূণ আৰু চকাচূণ কৰা। সেই সময়ত কঢ়ালৰ (Cement) চূণ এটা বৰ প্ৰয়োজনীয় বস্তু। লাখ লাখ মোন শিলচূণ সেই কালৰ পাইকে উৎপন্ন কৰিছিল।

অসমৰ ভালেমান পৰ্ব্বতত শিলচূণৰ পাথৰ পোৱা গৈছিল। আমাৰ মানুহে খৰালি সেই শিল বিচাৰি তললৈ নমাই পৰ্ব্বতৰ কাষতে নতুবা সমথলৰ চালিত গোটাই পাছত ভোটা পাতে। চূণৰ কাম কৰা ঠাইক চূণ চালি বুলি কয়। লো, সোণৰ খাটত খটাৰ দৰে চূণচালিতো স্থকীয়া পাইকে কেবা মাহলৈকো কাম কৰে।

গাৰো খাচিয়া-জয়ন্তীয়া নগা আদি পাহাৰত চূণ শিল বেচিকৈ পোৱা গৈছিল। কোম্পানীৰ আমোলত

গাৰো খাচীয়া পৰ্ব্বতৰ পৰা লাখ লাখ মোন শিল চূণ ৰপ্তানী হৈছিল। শামুক চূণ নৈবিলাকৰ শামুকৰ দ্বাৰা কৰিছিল। এই চূণ আজিকালিও মানুহে কৰে। কিন্তু শিলচূণ সহজে পোৱাত শামুক চূণৰ কাৰবাৰ মানুহে এৰি দিছে। আমাৰ দেশত শিলচূণ শামুকচূণ বিশেষকৈ ঘৰ, মঠ মন্দিৰ, সাঁকো গড়, ঘাট, আলি মৈদাম আদি বিভিন্ন নিৰ্ম্মান কাৰ্য্যত লগাইছিল। এই দৰে নিৰ্ম্মান কাৰ্য্যত লগোৱা কেইটিমান উদাহৰণ তলত দিয়া হল। স্বৰ্গদেও শিৱসিংহৰ মৈদামত লগা বিভিন্ন চূণঃ- শামুকৰ চূণ সৰ্ব্বিমুঠ ৮০৪০ ঢোল, শিলচূণ ১৫৩৪০ ঢোল, চকাচূণ (পনীয়া) ১০০ কলহ। তেনেকৈ স্বৰ্গ-দেও গদাধৰ সিংহৰ মৈদামতঃ- শিলচূণ ২৬০০ ঢোল শামুকচূণ ১৫৬২২০ ঢোল আৰু চকাচূণ ৭১৩৭ কলহ, ঈষানেশ্বৰ শিৱদ'লত শামুকচূণৰ গুৰি ২৪২০, চকাচূণ ২৪২০ কলহ, ৰংপুৰ নগৰৰ গড়ৰ পানীৰ ধোন্দত শামুকচূণ ১৮০ ঢোল, শিলচূন ৭২০ ঢোল, চকাচূণ ১৮০ কলহ।

চূণ সোধোৱা পাইকঃ—

শামুক চূণৰ পাইকৰ সম্পৰ্কে লিখা আছে স্বৰ্গ-দেও শিৱসিংহৰ মৈদামৰ কামত লগাবলৈ শামুক যোগোৱা মানুহ মেলভগীয়া, ভুৰলীয়া এফলীয়া আৰু হাতীঘাঁহীৰ ভুৰলীয়া পানী তোলাতো শামুক শোধোৱা মানুহ তেৰলীয়া"। পুনৰ ১৬৫৯ শকৰ আঘোনত ৰাজমাওদেৱৰ মৈদামলৈ লোৱা শামুকঃ- বৰ অভয়পুৰীয়াৰ জবকিয়ালৰ ৭০ ঢোল, ফাঙ্গচাৰ ৬৩ ঢোল, ভাৰিৰ ৫৭

ঢোল, পানী অভয়পুৰীয়াৰ খুৰঙ্গীয়া ৫৯ ঢোল, চতিয়াৰ ৬০ ঢোল, গাখীৰ /১৯০$_{১}\frac{৬}{৭}\frac{৪}{৭}$ ঢোল, সৰু অভয়পুৰীয়াৰ দীঘল ডুবিসৰ ৭৩ ঢোল, বুৰা মৰীয়াৰ ৬০ ঢোল, মেডেলিয়ালৰ মথুৰাপুৰীয়াৰ ৪৫৮ ঢোল” ইত্যাদি। শামুকচূণ কৰা শালক চূণপোৰা শাল বোলে।

লা বা লাহা (Lac)

লা এটা হাবিয়াল শিল্প, পৰ্ব্বতীয়া ৰাইজে বহুকালৰে পৰা বহল ভাবে লাৰ কাৰবাৰ কৰি আহিছে। দেশৰ সকলোবিলাক কামত লগাইও লা বিদেশলৈ ৰপ্তানি হৈছিল। গাৰো, মিকিৰ, মিচিমি, নগা ডফলা আৰু ভোটান বিলাকে আহোম ৰজাক লা যোগাব লাগিছিল। সমথলতো লাৰ খেতি কৰিছিল। লা-গছ আৰু লাপৰুৱাৰ কথা সকলোৱে জানে। আজি কালি মিকিৰ বিলাকেই বেচিকৈ লাৰ খেতি কৰে। ট্ৰেভেৰনিয়াৰৰ মতে আমাৰ দেশৰ পৰা ৰজাৰ দিনত ৫৫০০০ টকাৰ লা বঙ্গদেশলৈ ৰপ্তানি হৈছিল। পাছলৈ ১৮৩৪ পৰা ১৮৩৫ চনত আমাৰ দেশৰ পৰা ৩০৬৩৬৮৮ মোন চপৰা লা ৩৬৭৬৭৷৷৴ অনাত হাদিৰা চকীয়েদি বিদেশলৈ ৰপ্তানি হৈছিল। এতিয়াও নগাওঁ আৰু গোলাঘাটৰ সীমাত থকা নগাওঁ আৰু কাছাৰৰ সীমাত থকা মিকিৰে বৰপানীত লাৰ কাৰবাৰ বহল ভাবে কৰে।

লাৰে বোল দি ৰং স্থায়ী কৰা পদ্ধতি আমাৰ দেশৰ মানুহে ভালকৈ জানিছিল। না না কাঠ, বাঁহ, বেত, আদিৰ বস্তুত ৰং দি তাৰ ওপৰত লা চলাই বস্তু ধুনীয়া স্থায়ী আৰু মূল্যবান কৰিছিল। লাৰে ৰাজকীয় নথি-পত্ৰ বিলাকত সিংহ চাব ফুকন চাব, আদি চাব মোহৰ মৰাত ব্যৱহাৰ কৰিছিল। কাঁহ পিতল তাম আদি ধাতুৰ বাচন-বৰ্ত্তনৰ সাঁচ কৰিবলৈকো প্ৰচুৰ পৰিমানে লা ব্যৱহাৰ হৈছিল। মেজাঙ্কৰী আদি কাপোৰতো লাৰে বোল দি স্থায়ী কৰিছিল। লা চলাব জনা খনিকৰ বা লা উৎপন্ন কৰা পাইক আগতে গোলাঘাট অঞ্চলতে বেছি আছিল। জতুৰা আৰু লাভবান শিল্পটো আমাৰ মানুহৰ মাজৰ পৰা ক্ৰমাত হেৰাই গৈছে।

মজাঠি, ধূনা গন্ধক, এঠা বিহ

(Indian madder, Resin, Sulphur, Gum, Poison)

লাৰ দৰে এই সকলো বিলাক গাবিয়াল শিল্প। এইবিলাক বস্তু উৎপাদন কৰা সুকীয়া সুকীয়া পাইক আছিল। তাৰোপৰি পৰ্ব্বতীয়া জাত সকলৰ পৰা ৰজাঘৰে কৰ হিচাবে এই বিলাক পাইছিল। ৰজা-সকলৰ দিনত বছৰি ৫০০৲/৬০০৲ টকাৰ মজাঠি বিদে-

শলৈ ৰপ্তানি হৈছিল। গছৰ এঠা আদিৰ পৰা ধূনা সংগ্ৰহ কৰিছিল। ইয়াক কঢ়ালত, ঔষধত আৰু সুগন্ধি ধোঁৱা আৰু সুগন্ধি তেল কৰাত ব্যৱহাৰ কৰিছিল। সেইদৰে বুৰঞ্জীৰ গৰ্ভত গন্ধকৰো উল্লেখ পোৱা যায়। এঠা বিলাকৰ সুকীয়া বাৰী (Farm) আছিল। সেই নামৰ স্থান উজনী অসমত বহুত আছে। এঠাৰ ভিতৰত আহোম এঠা, বৰ এঠা, কেন্দু এঠা বেছি চলিছিল। মাটিৰ ভাবুকীত এঠা ভৰাই অন্য ৰাজ্যলৈ দিয়া বা পৰ্ব্বতীয়া লোক সকলৰ পৰা কৰ স্বৰূপে এঠা পাইছিল। বেজবৰুৱাক ঔষধ কৰিবৰ কাৰণে বিহৰ প্ৰয়োজন আছিল। সেই বিহ ঘাইকৈ মিচিমি আৰু লামা দেশ ভোটান আৰু তিৰ্ব্বতৰ পৰা পাইছিল। বিহৰ ভিতৰত্ত বিচাবিহ, বৰবিহ, কনীবিহ আদিয়েই প্ৰধান। ফেটিসাপৰ বিহ বা বিষ কেটেকী-ফুলৰ পাট সাপৰ তলচোৱাত বান্ধি বাহিৰ কৰি লোৱাৰ সম্পৰ্কে শুনা যায়। বনগীতত আছে " মিচিমি আহিব বৰে বিহ আনিব "।

প্ৰসাধন বা সুগন্ধি লেপন
(Ointments)

আজি কালিৰ দৰে আগৰ দিনতো সুগন্ধী তেল ঘহাৰ ওপৰিও সুগন্ধি লেপন আৰু সুগন্ধি বস্তু আমাৰ

মানুহে ব্যৱহাৰ কৰিছিল। কস্তুৰী গান্ধ কলায়, আৰু আঁতৰ মূল্যবান বস্তু। এইবিলাক বস্তু বিদেশৰ পৰাও চালান দিছিল। পৰ্ব্বতীয়া সকলে গা, মুখ, ওঁঠ আদি গছৰ পৰা তৈয়াৰ হোৱা বোলেৰে বোলাই লৈছিল। কামৰূপ ৰাজ্যত পুৰণি কালত অজস্র কৃষ্ণষাড় আছিল— তাৰ পৰা উৎকৃষ্ট কস্তুৰী উপাৰ্জ্জন হৈছিল।

বস্ত্র শিল্প (Textile)

এতিয়া আমি আমাৰ দেশৰ আটাইতকৈ পুৰণি আৰু সৰ্ব্ববৃহৎ শিল্প, বস্ত্র শিল্পৰ বিষয়ে আলোচনা কৰিম। বস্ত্র শিল্পকে লৈ আমি পৃথিবীৰ ভিতৰত বৰ গৌৰৱ কৰি আহিছোঁ আৰু অন্যান্য দেশেও আমাৰ বস্ত্র শিল্পৰ প্ৰতি যথেষ্ট সন্মান দেখুৱায়

ৰেচমঃ—

প্ৰথমতে আমি ৰেচম শিল্পৰ বিষয়ে আলোচনা কৰিম। ৰেচম শিল্পত পৃথিবীৰ ভিতৰতে অসমে প্ৰথম স্থান অধিকাৰ কৰিছিল। কাৰণ অসমৰ দৰে পৃথিবীৰ অন্য কোনো দেশতে তিনি চাৰিটা ৰেচম শিল্প নাই। পাটপলু ভাৰতৰ আৰু পৃথিবীৰ অন্যান্য স্থানতো আছে। হয়তো আমাৰ দেশতকৈ সেই বিষয়ে অন্য প্ৰদেশ বা দেশ চহকীও হব পাৰে। কিন্তু অসমৰ দৰে এড়ি, মুগা, পাট আদি কেউটা ৰেচম শিল্প থকা দেশ অন্য

স্থানত নাই। সেই কাৰণে মুগা আৰু এড়িক "এণ্ডেৰীয়া আসামা" বুলি কয়। বহুতে অনুমান কৰে যে কৌটিকালৰে পৰা অসমত পাট, মুগা আৰু এড়ি শিল্প আছে।

বুৰঞ্জীত ৰেচম:—

মৌর্য্য যুগৰ পৰা পাটকাপোৰৰ কথা আমাৰ দেশত থকাৰ প্ৰমান আছে। পুৰণা কামৰূপ ৰাজ্যৰ পাট শিল্প এটা প্ৰধান শিল্প আৰু বেহাৰৰ বস্তু আছিল। বুৰঞ্জীৰ এঠাইত পোৱা যায় যে "স্বৰ্গদেও চুতুফাই (১২৬৮—১৩৬৯) ডাঙ্গৰীয়া সকলৰ লগত পৰামৰ্শ কৰি পাট, মেজাঙ্কৰী ও মুগা সূতা উৎপন্ন হবলৈ পলু পুহিবৰ কাৰণে একহাজাৰ চুটিয়া, কছাৰী নিযুক্ত কৰিলে" (নাঃ ফুঃ— বুৰঞ্জী)।

কোচ ৰজা বিশ্বসিংহৰ দিনত পাট, মুগা আদি শিল্পই প্ৰসাৰতা লাভ কৰিছিল। আমাৰ এফাকি কথা আছিল যে "ৰেচমে পোতাশালৰ বন্দি মোকোলায়" আহোম ৰাজ্যৰ পৰা ভাৰতৰ আৰু উত্তৰ পূব আৰু উত্তৰ দক্ষিণত থকা এচিয়াৰ দেশবিলাকলৈ আমাৰ দেশৰ পাট, মেজাঙ্কৰী, মুগা, এড়িৰ সূতা আৰু কাপোৰ অসংখ্য গৈছিল। ইয়াৰ ভিতৰত ভাৰতৰ বিভিন্ন হিন্দু আৰু মোগল পাঠানৰ ৰাজ্য, ভূটান, তিৰ্ব্বত নেপাল, চীন, ব্ৰহ্মদেশ, সিংহল আদি ৰাজ্যই প্ৰধান আছিল। স্বৰ্গদেও কমলেশ্বৰ সিংহৰ দিনত হাদীৰা চকীত আৰু ফুলৰীত বঙ্গদেশৰ বেপাৰীৰ লগত বেপাৰ

কৰি ১১৩৫০৲ টকা মূগাৰ সূতাত, ১৭৫০০৲ টকা মূগাৰ কাপোৰত পাইছিল। তাৰ পাছতো হাদীৰা চকীয়েদি ১৮৩৪, ১৮৩৫ চনৰ ভিতৰত ১৩৯৭৬৴ মূল্যৰ মুগাসূতা অন্য দেশলৈ গৈছিল। এইদৰে বুৰঞ্জীত মূগা এড়ি পাটকাপোৰ আৰু সূতাৰ বেপাৰ, অন্য দেশলৈ পত্ৰৰ লগত সন্দেশ দিয়াৰ বহুতো কথা আছে।

হেমিলটন চাহাবে তেখেতৰ বুৰঞ্জীত লিখিছে "The native women of all casts from queens downwards weave four kinds of silk that are produced in the country and with which three fourths of the people are clothed. Considerable quantities of the two coarser kinds (Muga & Endi) are also exported. There may be one loom for every two women and in great families there are eight to ten— The raw materials is seldom purchased ; each family spins and weaves silk........."

আমাৰ দেশত আগতে এড়ি মূগা, (মেজাঙ্কৰী ছপাপটিয়া) পাট, বৰপাট. কুটকৰী, দেওপলু আদি ৰেচম আছিল। আমাৰ দেশৰ ই অতি পুৰণা শিল্প। এই সম্পৰ্কে প্ৰথমতে উল্লেখ কৰা হৈছে।

চীনা ৰাণী লিংচিঃ—

৫০০০ হাজাৰ বছৰৰ পূৰ্ব্বেই এগৰাকী চীনা ৰাণীয়ে প্ৰথমতে এই পাট শিল্প আবিষ্কাৰ কৰে, তাৰ

পৰা ৰোম ৰাজ্যলৈ এই শিল্প নিয়ে। কাশ্মীৰৰ কোনোবা এজন ৰজাই এগৰাকী চীনা ৰাজকুমাৰীক বিয়া কৰাইছিল। সেই গৰাকী কুঁৱৰীয়েই পাটপলুৰ সঁচ ভাৰতলৈ আনে। কাশ্মীৰৰ পাছত বঙ্গদেশ আৰু বঙ্গদেশৰ পৰা টিপুচুলতানে (১৭৯০—১৮০০ খ্ৰীঃ) ভিতৰত মহীশূৰলৈ পাট শিল্প নিয়ে আৰু অসমলৈ এই পাট শিল্প মহাৰজ নৰণাৰায়ণৰ দিনত আহে বুলি মত প্ৰাকাশ কৰে। বঙ্গদেশৰ ৰজা বল্লালসেন আৰু তেওঁৰ উত্তৰাধিকাৰী সকলৰ অত্যাচাৰত যুগীবিলাক বঙ্গদেশৰ পৰা অসমলৈ আহে। তেওঁলোকৰ লগতে পলুখেতিৰ জ্ঞানো আনি অসমত প্ৰচলন কৰে। কিন্তু পুৰণা টোকা আৰু বুৰঞ্জীৰ পৰা জনা যায় যে নৰণাৰায়ণ মহাৰাজৰ বহুকাল পূৰ্ব্বৰে পৰা আমাৰ অসম দেশত পাটপলুৰ শিল্প আছিল। কিছুমান বিদেশী পণ্ডিতে আকৌ কয় যে টাইজাতীয় আহোম সকলে প্ৰথমতে মুগা এড়ি আৰু পাটৰ শিল্প অসমত উলিয়াইছিল। এই বিলাকৰ পৰা অনুমান হয় যে আমাৰ দেশত এই শিল্প কেইটা বহুযুগৰে পৰা আছিল যদিও বড়ো আৰু টাইসকলৰ দিনতহে ই প্ৰবল ভাৱে বিস্তাৰিত হয় আৰু আহোম ৰজা সকলৰ দিনত ৰাজ্যিক সাহায্য (State Support) পাই এসময়ত ভাৰতত প্ৰথম স্থান লাভ কৰিছিল। পাট, মুগা, এৰি আদিৰ বস্ত্ৰ হিচাবে পাচত আলোচনা কৰা হৈছে। অন্য দেশত পাটপলু পুহিলে জাত যায়। কিন্তু আমাৰ দেশত পাট, মুগা, এড়ি সকলোৱে নিজ নিজ ঘৰত পালন কৰে আৰু তাৰ পৰা লাভবান হয়।

কপাহী শিল্প

কপাহী শিল্পটো আমাৰ দেশত প্ৰত্যেক মুনিহৃতিৰুতাৰ অতি আদৰৰ আৰু অপৰিহাৰ্য্য শিল্প। আৰ্য্যবৰ্ত্তৰ অন্যান্য দেশত যি কোনোৱে ৰেচম পুহিলে বা কাপোৰ বলে জাত যায় বা হীন জাতিৰ কাম। এনে ভাব, এনে আচৰণ আমাৰ দেশত নাছিল। কৰবাত যি গৰাকী তিৰুতাই কাপোৰ বব,-কাটিব নাজানিছিল সেই গৰাকীক থুপৰী বুলিছিল আৰু তেওঁ বিবাহৰ অযোগ্য। সেই সময়ত মুনিহৰ ৰণ তিৰিৰ বিয়ন (বয়ন) আছিল। আহোম ৰজাসকলৰ দিনত যি ঘৰত মতামানুহ ৰাজদণ্ডত পৰি মৃত্যু হৈছিল সেই ঘৰৰ বাঁৰী তিৰুতা বিলাকক বোৱা কটা শালত দি ভৰণ পোষন দিছিল।

এঠাইত আছে " তাৰ তিৰী তিৰোতা অনোৱাই বোৱা কটা শালত দিলেনি (অপ্ৰকাশিত অসম বুৰঞ্জী) ফাটেয়্যা ইত্ৰিয়াত আছে—The people were very skillful in weaving embroidered cloth " সেই সময়ত গড়গাৱঁৰ সিংহাসনত স্বৰ্গদেও জয়ধ্বজ সিংহ আছিল। বাৰিকৰ পদৰ সৃষ্টি হৈছিল। প্ৰত্যেক গৃহস্থৰ কামছোৱাত। ৰাতি প্ৰত্যেক মুনিহে ৫টাকৈ বাঁহৰ পাচি, প্ৰত্যেক তিৰীয়ে ৫টাকৈ সূতলাহি কাটি বাৰিকক দেখুৱাব। নহলে চমতা বা চেকনীৰ কোব খাব "। সেই সময়ত আমাৰ মানুহে সন্ধ্যাৰ

পাচতে আহাৰ কৰিছিল আৰু ৰাতি দুই এপৰতে সেই বিলাক নিত্যকৰ্ম্মৰ দৰে কৰি শেষ কৰিছিল । এই বিলাক কামত মুনিহ তিৰী এনেপটু আছিল যে তেনে কাম সুনিপুন ভাবে কৰোতে বেচি সময় নালাগিছিল ।

প্ৰত্যেক অসমীয়া তিৰোতাই ৰণলৈ যোৱা স্বামীক কবচ কাপোৰ দিয়াটো চলিত প্ৰথা । "মাজ নিশা ৰাতি কপাহ নেউঠি, পাঁজি কাটি ৰাতি নৌ পুৱাওতেই কাপোৰ বৈ উলিয়াব লাগে । তাকে আহোম মতে লব তাকে কবচ কাপোৰ বোলে"। "(অসম বুৰঞ্জী) প্ৰতাপসিংহৰ দিনত" "কামৰূপতো দক্ষিণ পাৰৰ আৰু ঠাইৰো তাঁতী সকলক নি শোৱাল কুছিত পাতিলে আৰু তেলী সকলকো আন আন ঠাইৰ আনি ৰামদিয়াত পাতিলে" । (অসম বুৰঞ্জী) মহাৰাজ নৰ-নাৰায়ণে নামনি অসমত, বেহাৰত কাটনী, যুগী, আদি বৃত্তিয়াল মানুহ বিলাকক বহুৱাইছিল আৰু অন্য দেশৰ পৰা কাৰিকৰ অনাই দেখুৱাইছিল । স্বৰ্গদেও প্ৰতাপ-সিংহৰ দিনত প্ৰত্যেক অসমীয়া গৃহস্থীয়ে ৰজাৰ ভঁৰাললৈ বছৰি এপোৱা পাটৰ সূতা দিয়াৰ নিয়ম আছিল । (বুৰঞ্জীৰ বানী ১২৭)

শ্ৰদ্ধেয় ডাঃ সূৰ্য্যকুমাৰ ভূঞাৰ বুৰঞ্জীৰ বানীত আছে যে—"অনাদৰী বৰকুৱৰী সলাল গোহাঁইৰ জীয়েক, নাওলৰে সৰ্ব্বেশ্বৰী "নকৈ অনেক জাতিৰ ছোৱালী সকল জুমে জুমে পাঁজি সূতা কটা কৈ লৈছে । গায়ন ছোৱালী সকলক গায়ন শিকায় লৈছে ভিতৰুৱাকৈ"।

আমাৰ তাহানিৰে পৰা বিদেশী বস্ত্ৰ পিন্ধাৰ নিয়ম

নাছিল। কছাৰী আৰু ছুটিয়া বিলাকে প্ৰথমতে আহোম সকল আহি দেশ লোৱাত তেওঁলোকৰ কলীয়া কাপোৰ আৰু ফচ্‌চৌক ঘিন কৰিছিল। স্বৰ্গদেও চক্ৰধ্বজ সিংহই মোগলৰ বস্ত্ৰ পাই কৈছিল। "মোৰ বোপা পোথাৱে পুলিনে বঙ্গালৰ পাৎসাৰ কাপোৰ পিন্ধা নাই। এতিয়া মই পিন্ধিব লাগিব আত কৰি মৰণেসে ভাল"। এই বুলি নিপিন্ধি যুজলৈ সাজু হল। স্বৰ্গদেও ৰুদ্ৰসিংহই "জামা পাগ ইজৰ পিন্ধিলে সকলোকে সেইৰূপে দিলে তেতিয়া ডাঙ্গৰীয়া সকলে কলে আপোনাৰ দেশৰ ধাৰণ এৰি কেনে বঙ্গালৰ ধাৰণ বটা পিন্ধিম। নিপিন্ধো এই বুলি ওভোটাই দিলে" (অসম বুৰঞ্জী) এই দৰে বুৰঞ্জীৰ গৰ্ভত না না ধৰণৰ কাপোৰৰ বেপাৰ, কাপোৰ কৰাৰ নিয়ম, ৰজাঘৰত কাপোৰ যোগানৰ ব্যৱস্থা, অন্য দেশলৈ কাপোৰ উপহাৰ দিয়া, অন্য দেশৰ পৰা কাপোৰ পোৱা, বিভিন্ন বস্ত্ৰৰ নাম আদি পোৱা যায়। সকলো বিলাক ইয়াত বৰ্ণনা কৰিব পৰা নহল।

মহাত্মাগান্ধীয়ে ১৯২১ চনত প্ৰথম বাৰ অসমলৈ আহোঁতে কৈছিল "The maidens of lovely Assam weave poems in their hand-loom"

আমাৰ দেশত তাহানি কানাইক তাঁতীয়ে বৈ দিয়া কাপোৰ খনৰে পৰা, মহাপুৰুষৰ সাগৰ জুলি কাপোৰৰ দিনৰ পৰা, ছাঁতে শুকুৰা মুঠিতে লুকুৱা কাপোৰৰ দিনৰে পৰা এতিয়ালৈকে কমতাৰ পৰা শদিয়া লৈকে, জয়ন্তীয়াৰ পৰা লুচাইলৈ, আবৰৰ পৰা মনিপুৰ-লৈকে থল পৰ্ব্বত সকলো অসমীয়াৰ কাপোৰ শিল্প

মাত্র এনেকে শিল্প বুলি ধৰিব লাগিব। আমাৰ কাপোৰ চীন, ব্ৰহ্মা, নৰা, গুজৰাত, কাশ্মীৰ, দিল্লী, ঢাকা, বঙ্গ, মধ্যভাৰত, লঙ্কা, উত্তৰভাৰত সকলোলৈকে গৈছিল। সেই দৰে সেই বিলাকৰ পৰাও আহিছিল। আহোম ৰজাসকলে ভূঞা সকলৰ বাচোৱাল, টঙালি, সাঁচতি, নৰাৰ নৰা কাপোৰ, আবৰ ডফলা মিৰিৰ জিম, বৰ কাপোৰ, ব্ৰহ্মাৰ কুন্‌বিন কুন্‌খা, নগাৰ মাকো, মনিপুৰীয়াৰ লেইচেং, ভাটিৰ সিংখাপ, চিৰা, ইজৰা, জামা, চাপকন আদি সকলোটি সামৰি লৈ নিজৰ কৰি লৈ অসমীয়া জাতিক দিলে।

সেই সময়ত আমাৰ দেশত পিন্ধিও বিদেশলৈ বছৰি হাদিৰা আৰু ফুলৰী চকীৰ পৰা ৩৫০০০ হাজাৰ ওপৰ টকাৰ কাপোৰ ৰপ্তানি হৈছিল। আমাৰ মানুহে কৰা ফুলাম আঁঠুৰাৰ বিষয়ে হেমিলটন চাহাবে লিখিছে যে—“ Mosaries are a pieces of 30 cubits long $1\frac{2}{4}$ to 2 cubits wide and are intended for curtains. They are of very thin fabric and are flowered”—

আগৰ দিনৰ এতিয়াও বহুত কাপোৰ কানি আছে। কিছুমান যাদুঘৰত কিছুমান পুৰণি কলীয়া গৃহস্থীৰ ঘৰত। সেই বিলাক এতিয়াও বৰ চমৎকাৰ হৈ আছে।

আমি এই খিনিতে কিছুমান পুৰণা বস্ত্ৰৰ নাম উল্লেখ কৰিম। তাৰ ব্যৱহাৰ আদি লিখিবলৈ স্থান নহব। পোচাকৰ নাম যেনেঃ— কুনমিন, কাৰ্চিপৰ সোণৰ গুণাকৰা, মেজাঙ্কৰী চুৰিয়া, চপাপটীয়া চুৰিয়া ও কাপোৰ,

ফোঁটাৰে কাপোৰ, বচোৱাল, পাখৰৌ, চেলেং, চাদৰ উকা, তাও কাপোৰ, কিৰ্ম্মিজ, উকাকাপোৰ, নৰাকাপোৰ চিকন কাপোৰ, তুৰলীয়া ফুলাম বৰ কাপোৰ, জালি চোলা, মাঝে ভূনি, ঢেকেৰী ভূনি, সোনোৱালী চিৰা, সোণোৱালী আতালঞ্চ ইজৰা, মজা জামা, একলীয়া বৰ কাপোৰ, গোমচেং এঙ্গাচোলা, বুকুচোলা, চৌকন, টঙ্গালি কাৰ্চিপৰ ৰিহা, কাৰ্চিপৰ বনকৰা দীঘল হতীয়া মাইকী চোলা, বোলোৱা পাগ, গা-মছা খৰুৱা কাপোৰ, সিংখাপৰ মেখেলা, ৰিহা, ফচৌ মখমল, কম্বল ইত্যাদি । বহা কাপোৰ, সত্ৰঞ্চ, বানত, থঙ্গা, অন্যান্য আঠুৱা, পটুকা, পয়জাৰ, চাঙ্গতি চন্দোৱাৰ, জলম, জিজিৰা, চন্দ্ৰতাপ, চৈ, আৰোৱান, জাপিৰ গিলিপ, পালতৰা কাপোৰ, তামি ঘৰৰ কাপোৰ, জোলোঙ্গা, মোনা, পশুৰতং, সাঁচতি, কমৰ বান্ধ, কেপকৰা তুলি, কিৰ্ম্মিজৰ গাৰু, জিম, মাকো, বিহ খৰুৱা কাপোৰ ইত্যাদি ।

এই কাপোৰ শিল্পৰ পাইকেই বেছি । ইয়াৰ বিষয়াৰো সংখ্যা বেছি । জয়ধ্বজ সিংহৰ দিনত দিল্লীৰ পৰা, মিহি কাপোৰৰ ওপৰত ফুলৰ কাম কৰা, মুছলমান কাৰিকৰ অনোৱাই গুণা কটীয়া খেলত পাতিলে । তেনেকৈ চুহুংমুঙ্গৰ দিনত যুদ্ধত বন্দী হোৱা মুছলমান মানুহ এই দেশতে ৰাখি গুণাকটা, চোলা সিয়া খেলত ৰাখিলে । সেই দৰে ৰাইডঙ্গীয়া ফুকন, খঙ্গীয়া ফুকন, চাৰিঙ্গীয়া ফুকন, পৰ্ব্বতীয়া ফুকন, তিপমীয়া ফুকন আদিৰ কাম কুৰঁৰী সকলৰ সূতা খঙ্গা আদিৰ যোগাৰ দিয়া আৰু তাৰ হিচাব ৰখা । কাপোৰৰ হিচাব পত্ৰ জোলাশালৰ

কাকতত চাংকাকতি বিলাকে ৰাখে ।

অন্যান্য অহীয়া শিল্প (Fibers)

কাপোৰৰ পাচতে গছৰ পাত আৰু চাল আৰু গা গছৰ পৰা না না ধৰণৰ অঁহীয়া শিল্প আমাৰ দেশত আছিল । এই বিলাকেৰে অনেক বস্তু কৰাৰ ওপৰিও বস্ত্রও তৈয়াৰ হৈছিল । এনে ধৰণৰ শিল্প ঘাইকৈ মৰাপাট, ৰিহা, এলাবৈ, কুকুৰ সূটা. আৰু অন্যান্য বনৰীয়া অঁাহ যুক্ত গছৰ পৰা হৈছিল । মৰাপাটৰ পঘা, জৰি, ফই, ৰিহা গছৰ কাপোৰ, জালৰ জৰি, মোনা এলাবৈৰ টান ৰছি, ফই, ডাঠ কাপোৰ । কুকুৰ সূতাৰ জাল জৰি, ঠৰঙ্গা কাপোৰ আদি কৰিছিল । ঘোঁৰৰ ৰেকাবি, লেকাম আদিও অন্য কাপোৰৰ বাহিৰেও চালৰ সূতাৰ পৰা কৰিছিল । পৰ্ব্বতীয়া লোক সকলে অঁহীয়া বস্তু কটাত পাৰ্গত আছিল । আবৰ বিলাকে চুৰাত গছৰ চালেৰে গৰম চোলা আৰু গাৰোৱে গছৰ চালৰ পৰা কৰা গৰম কাপোৰ জনাজাত আছিল । এই অঁহীয়া শিল্পৰ প্রয়োজনো বেছি আছিল । এই বিলাকৰ ফইৰে হাতী ধৰা, বন্ধা, জালেৰে বাঘ, পহু, চৰাই, মাছ ধৰা, কাম চলিছিল ।

এই বিলাকৰ ওপৰিও শিমলু তুলা, আকনৰ তুলা, মাদূৰী তুলা, চেৱা তুলা আদিৰে জলম, গাৰু, তুলি কৰিছিল । নগা আদি পৰ্ব্বতৰ লোকে কিছুমান

লতাৰ পৰাও বৰ টান ৰছি আৰু অন্যান্য আহিলাপাতি কৰিছিল।

দাঁত, হাড়, শিং, চাল, নোমৰ শিল্প
(Bones, Tusk, horns, hoof, hide, Furs etc.)

আমাৰ দেশ পৰ্ব্বত, হাবি, নদ নদীৰে ভৰা গতিকে ইয়াত না না ধৰণৰ বনৰীয়া জন্তু থকাতো স্বাভাবিক। অসমৰ গঁড় এতিয়াও পৃথিবীত জনাজাত। এসময়ত আমাৰ দেশত অসংখ্য গঁড়, হাতী, মহ, পহু, না না জাতীয় চৰাই আছিল। ইয়াৰ ভিতৰত হাতীৰ হাড়, দাঁতৰ শিল্পই বৰ মূল্যবান আছিল। হাতী দাঁতৰ ওপৰত মাটিৰে ডাঠ লেপ দি গৰম কৰি তাক পোন আৰু কোমল কৰিব পাৰি। সেই দাঁত পাছত বেতৰ সূত তোলোৱাৰ দৰে সৰু সৰু আৰু মিহিকৈ উঠাই তাৰে পাটী, ধৰা, কৰে। অন্য ধৰণে কাটি তাৰ পৰা পিৰা, বাকচ, ফণি, গা আঁচুৰা তাঁতৰ আহিলা পাতি, পাখা খেলৰ পিল, কটাৰী, দাৰ, নাল মূৰ্ত্তি, লাখুটী, বাচন-বৰ্ত্তন অলঙ্কাৰ আদি কৰিছিল। জয়ধ্বজসিংহই আওৰেংজেবলৈ হাতী দাঁতৰ পাটী, গা আঁচুৰা, কাকৈ দিছিল। কমলেশ্বৰ সিংহই ভোটানৰ ৰজালৈ হাতী দাঁতৰ পেৰা, হাতী দাতৰ মেলা, পোষ্টাখাট, আদি দিছিল। হাতী দাঁতৰ পুথিও এখনি শিৱসাগৰত আছিল।

সেই পুথিখনি বহুদিনৰ আগতে কোনোবা এজন চাহাবে নিলে। তেনেকৈ কছাৰী ৰজায়ো আহোম ৰজালৈ গড়ৰ খৰ্গ ৫০০, হাতী দাঁতৰ মলম কৰা পিৰা দিয়াৰ কথা বুৰঞ্জীত আছে। সেই সময়ত হাদিৰা চকীৰ পৰা বছৰী ৬৫০০৲ টকাৰ হাতীদাঁত আৰু তাৰে তৈয়াৰ হোৱা বস্তু ৰপ্তানি হৈছিল। হাতীৰ পৰা গজমুকুতা পোৱা হৈছিল। আহোম ৰজাক কছাৰী আৰু জয়ন্তীয়া ৰজাই এশৰাইকৈ গজ মুকুতা দিয়াৰ কথা আছে। হেমিলটন চাহাবে এঠাইত লিখিছে যে। The King has, in his house some men who make very fine mat, fans and head Scratcher of ivory, all Chinese art.

গড়ৰ চালেৰে প্ৰধানকৈ বাৰু আৰু যুদ্ধৰ পোছাক কৰিছিল। গড়ৰ খৰ্গ এটা বহুমূলীয়া বস্তু। ইয়াক দেশে বিদেশে ৰপ্তানিও কৰিছিল আৰু মিত্ৰ ৰজা সকললৈ উপহাৰো দিছিল। তেনেকৈ হাতী, গড় আদিৰ হাড়ৰ পৰা না না বস্তু কৰিছিল। মহৰ শিঙৰ কাকৈ, ফণি, পেপা, শিঙা, কটাৰীৰ দাব, নাল আৰু খেলৰ বস্তু কৰিছিল। তেনেকৈ অন্যান্য চালেৰে ছমতা, চাবুক, বৰটি, পয়জাৰৰ তলি, ৰছি, মোনা, দবা, ঢোল, খোল, মৃদং চোৱা আদি অসংখ্য বস্তু কৰিব জানিছিল। জন্তুৰ নোমেৰে জলম, চোঁৱৰ না না ধৰণৰ কাপোৰ, টুপী কৰিছিল। উদৰ চালৰ টুপী বেছিকৈ চলিছিল। বাঘ, সিংহ, হৰিণ, ভালুক, অজগৰ আদিৰ চালেৰে বহা আসন আৰু এক ৰকমৰ বস্ত্ৰ কৰিছিল। সেই

বিলাক বিদেশলৈকো ৰপ্তানি কৰিছিল। না না ধৰণৰ ধুনীয়া চৰাই পাখিৰে পাগুৰি, মুকুটৰ শোভা বঢ়াইছিল। এই পাখিবিলাক বিদেশলৈকো পঠাইছিল। এই সকলো বিলাক শিল্পত পৰ্ব্বতীয়া লোকসকল পাৰ্গত আছিল। না না জন্তুৰ চাল, হাড়, দাত তেওঁলোকে বস্ত্ৰ আৰু অলঙ্কাৰ হিচাবে ব্যৱহাৰ কৰিছিল।

ভৈয়ামতো এই শিল্পবিলাকৰ স্থকীয়া স্থকীয়া খেলৰ পাইকে কৰিছিল আৰু তেওঁলোকৰ ওপৰত পাখিমৰীয়া বৰুৱা, কাঠবৰুৱা, নোমালৰ বৰুৱা আদি বহুত বিষয়া আছিল।

ইয়াৰ লগতে শিহুতেল, মৌসিতা, ঘৰিয়ালৰ চাল আৰু তেল কামত লগাইছিল। ভাৱনা আদিত জন্তুৰ চালেৰে মুখা আদিও কৰি লৈছিল।

কাঠৰ শিল্প (Timber)

মহাভাৰত ৰামায়ণৰ দিনৰে পৰা মূল্যবান কাঠৰ বাবে অসম প্ৰসিদ্ধ। মোগল আদিৰ দিনতো আগৰ কাঠ, শিঙৰী কাঠৰ বেপাৰ চলাৰ কথা পোৱা যায়। এই দেশতে একালত ফুল কোঁৱৰ মণি কোঁৱৰে কাঠৰ পকী ঘোঁৰাত উঠি আকাশত ফুৰা কাহিনী শুনা যায়। ঘৰ সজা কামৰ পাছতে কাঠৰ পৰা হোৱা শিল্প হল নাও সজা। সেই সময়ত অসমৰ নাওশালী বিলাকত যে

কিমান নাও আছিল তাক বুৰঞ্জী পঢ়া মাত্ৰেই জানে। ৰণ, বেহা বেপাৰ, যাতায়ত, খেল আদি কৰাৰ সুকীয়া সুকীয়া নাও আছিল আৰু এই নাওবিলাকে দেশৰ ভিতৰত নৈ বিলাক পাৰ হৈও সাগৰত চলিছিল। আমাৰ দেশৰ নাও যাভা, সুমাত্ৰা, লঙ্কা, বৰ্ম্মা, আন্দামান আদি ঠাইলৈ প্ৰাগ্ ঐতিহাসিক যুগৰে পৰা চলাচল কৰিছিল।

আগতে আমি উল্লেখ কৰি আহিছোঁ যে কামৰূপ ৰাজ্য বহুকালৰে পৰা নৌকা শিল্পত চহকী আছিল। তাৰ পাচত বুৰঞ্জীত পাব যে মোগলৰ লগত শৰাই-ঘাটত যুদ্ধ লাগোতে আঁৰ পৰ্ব্বতৰ পৰা কুৰুৱালৈকে পানীত ভৰি নিদিয়াকৈ নাৱৰ ওপৰতে মানুহ চলাচল কৰিছিল। পাণ্ডু, গুৱাহাটী, কলীয়াবৰ, বিশ্বনাথ, দিখৌ-মুখ, ৰংপুৰ, গড়গাওঁ, শদীয়া আদিত নাওঁ সজাৰ ডাঙৰ ডাঙৰ কাৰখানা বিলাক আছিল। তেনেকৈ গোটেই অসমতে থকা কিছুমান নাওশালীৰ নাম পোৱা যায়। যেনে লতাশীলৰ নাওশালী, ৰংপুৰৰ ওচৰৰ শাকবাৰী নাওশালী, গড়গাৱঁৰ বৰনাওশালী ইত্যাদি। এই বিলাকত সদায়ে হাজাৰ বিজাৰ নাও মজুত ৰাখে। ৰংপুৰৰ নাওশালীৰ পৰা কাপ্তান ৱেলচ চাহাবে ২০০০০ খন না না ধৰণৰ নাও নিয়ে। গড়গাৱঁৰ নাওশালীৰ নাও মিৰজুমলাৰ হাতত পৰে বুলি ১২০০০ খনৰ ওপৰ নাও নাওশলীয়াই জুই লগাই পুৰি পেলাইছিল।

এই নাও বিলাকৰ অনেক নাম আছিলঃ— চৰানাও, বাচৰি, পানচৈ, কপীকল, হয়কলি, মগৰলগোৱা

হিলৈ চৰা নাও, শিহু, জাপ নাও, চিলাপাটি ইত্যাদি। নাও বিলাকৰ বিষদ বিবৰণ দিব পৰা নগল । নামঘৰ, মঠ মন্দিৰ, কাৰেং, পাটঘৰ, হোলোংঘৰ, শিঙ্গৰীঘৰ, বৰ ঘৰ, বাটচৰা আদি অসংখ্য ঘৰৰ চ'তি, খুটা, দুৱাৰ খিৰিকী আদিত অতি সুন্দৰকৈ লতা ফুল, মূৰ্ত্তি আদি কৰি তাত হেঙ্গুল হাইঠাঁল দি লাৰে চলাই অতি চমৎকাৰ কৰি আমাৰ খনিকৰে বিদেশীকে চমক লগাব পাৰিছিল ।

স্বৰ্গদেও গদাধৰ সিংহৰ দিনত কাঠৰ বস্তুত সুন্দৰকৈ ৰহন দি মূল্যবান ধাতুৰ পটি মাৰিবলৈ কিছুমান মুছলমান খনিকৰ আনি ৰহন কৰা খেলত পাতিছিল। কাঠ লোৰে কৰা কেকুৰা দোলা, তাত না না বহুমূলীয়া ধাতু খাঁজি কাঠৰ শিল্পৰ শ্ৰেষ্ঠ স্থান লাভ কৰিছিল, এসময়ত আমাৰ খনিকৰ সকলে । কাঠৰ মূৰ্ত্তি, আসন, চালপিৰা, নৰাপিৰা, তামুলীপিৰা, আদি আজিও আমাৰ গাওঁবিলাকত দেখিবলৈ পোৱা যায় । তেনেকৈ কাঠৰ পেৰা, ওৰাল, শৰাই, তেলপেৰা শাল, কুহিয়াৰ পেৰা শাল, আমাৰ পুৰণা বস্তু । লৰ্ড লিটন চাহাবৰ দিনত কলিকতা মহানগৰীত এসময়ত এখন ডাঙ্গৰ প্ৰদৰ্শনীত যোৰহাটৰ হোলোঙ্গাপাৰ মৌজাৰ ৺কৃষ্ণকান্ত হাতীবৰুৱাই সুতাকতা এটি কৌশলপূৰ্ণ কাঠৰ মেচিন তৈয়াৰ কৰি দেখুৱাইছিল। সেই কৌশলপূৰ্ণ কামত গোটেই ভাৰতৰে বিশিষ্ট লোকসকল আচৰিত হৈছিল।

কাঠ আদিৰ পৰা ৰং কৰা, সুগন্ধী বস্তু কৰা ঔষধ আৰু তেল কৰাৰ কথা সকলোৱে জানে। আঁছু কাঠৰ

ৰং, সাঁচি কাঠৰ পুথিলিখা পাট, ভূজ গছৰ লিখাৰ সজুলি আদিৰ কথা সকলোৱে জানে। আগৰ দিনত হাবিয়াল পাইক বিলাকে কাঠ শিল্পত লাগিছিল। তেওঁলোকৰ ওপৰত কাঠবৰুৱা বা কাঠকটীয়া বৰুৱা। তেনেকৈ খনিকৰ বাটৈ আদিৰ ওপৰত খনিকৰ বৰুৱা আছিল। বিদেশীৰ টোকাত আছে। They made their boxes, trays, stools and chairs carving them out of a single block of wood. (Fathiyah Ibriyah)

বাহঁ (Bamboo)

আমাৰ সভ্যতাটোকে এক প্ৰকাৰ বাহঁৰ সভ্যতাও বুলিব পাৰি। বাহঁ নহলে আমাৰ প্ৰবৰ্ত্তিবৰে উপায় নহব। "যাৰ নাই বাহঁ তাৰ নাই সাহ" এই কথাফাকি সত্য। আমাৰ বাহঁৰ ঘৰ-বাৰী বাহঁৰ বেৰা তাতি, বাহঁৰ দলং, সাঁকো, বাহঁৰ শোৱা চোৰ চাং, বহা চাং বাহঁৰ মাছ ধৰা আহিলা পাতি, না না ধৰণৰ খৰাহী পাচি, গাড়ী, যুজঁৰ ধেনু-কাঁৰ, টাঙ্গোন লাঠি, নাঙ্গল, দাং ৰং তামচাৰ আহিলা পাতি, জাপি চৈ হালবোৱা হাঠিয়াৰ ইত্যাদি কৈ অন্ত কৰিব নোৱাৰা বাহঁৰ বস্তু, সমাজৰ সকলো থাপৰ মানুহৰ মাজত ব্যৱহাৰ হৈছিল। এই বিলাকৰ ওপৰিও বাহঁৰ ধুনীয়া হেঙ্গুল হাইতাল দি লাৰে বোলোৱা না না ধৰণৰ জপা, পেৰা, পেটাৰী, খাং দেখিবলৈ পোৱা যায়।

আগৰ দিনত আমাৰ মানুহে সন্ধ্যাৰ পাছতে আহাৰ কৰি, বাহঁৰ কাঠি তোলায় ৫ টা পাচি বা খৰাহি সাজিব লাগে। ৰাজ্যৰ অসংখ্য আলি পদুলি উঠোৰা পুখুৰী খন্দা, গড় মৰাত মাটি তুলিবলৈ হাজাৰ বিজাৰ বাহঁৰ হাঠিয়াৰৰ প্রয়োজন।

এই খিনিতে স্বৰ্গদেও প্ৰমত্ত সিংহৰ বৰ ঘৰত লগোৱা বাঁহৰ কামিৰ নাম আৰু সংখ্যা চাংৰুঙ্গ ফুকনৰ বুৰঞ্জীৰ পৰা দিয়া হল। "৮ দেৱৰ ঘৰত ৰুৱা ১২৮টা, শৰাহ কামি ৮॥ কাওঁ বান কামি ১৩॥ কাওন, টুপৰ কামি ১১ কাওন, চাৱনী কামি ৩ কাওন" এই নামৰ কামি আমি সকলো বিলাক নিচিনো। তেনেকৈ বাঁহ বেতৰ মেৰধৰা, বৰ ধৰা, পাটী ধৰা, চকধৰা, ফুলাম ধৰা, না না ফুলজালিৰে বাঁহৰ কাথিৰে গাঠি কৰা চিলিঙ্গী, ভাৱনা আদিৰ ডাঙ্গৰ সৰু অসংখ্য মুখা আজি কালিও চলি আছে। বাঁহ বেতৰ ধুনীয়া শৰাই বটা, আমাৰ মানুহে কৰিছিল। তেনেকৈ না না বেতৰ ফুলগাঠি দি কৰা নতুবা ৰূপৰ, তামৰ, পিতলৰ পাট মাৰি সজা কাড়িয়া, ব' চুঙা, বহা আসন এতিয়াও দেখিবলৈ পোৱা যায়।

বেত, মুঠা, পাটীদৈ, মাদুৰীবন, কুহিলা কঁহুৱা ।

Cane and other grass type Plants.

বেতৰ পেৰা, পেটাৰী, শৰাই, বটা, পাচি, সজা, জাল, জকৰি, অসংখ্য বস্তু কৰাৰ কথা পোৱা যায় । পাটীদৈ গছৰ বাকলিৰ পৰা শীতল পাটী, পৰ্ব্বত ভৈয়ামৰ সকলোলোকেই কৰিছিল কছাৰী, জয়ন্তীয়া, চুটিয়া ৰাজ্যত পাটীদৈয়াৰ পাটীত ধুনীয়া ফুল লতা দি ৰঙ্গেৰে বোলাই আহোম ৰজাক উপহাৰ বা কৰ দিয়াৰ কথা আছে । ১৬২০ শকত কছাৰী ৰজাই ফুলাম শীতল পাটী আহোম ৰজাক দিয়াৰ কথা বুৰঞ্জীত আছে । মাদুৰীবন, মুঠা, কুহিলাৰ কঠ, ঢৰা আগৰ দিনত সকলোৱে কৰিব জানিছিল ।

খেৰ, টকৌপাট আদি

(Thatch, Palmleave etc.)

খেৰবে ঘৰ চোৱাৰ বাহিৰেও এক প্ৰকাৰৰ বিচনি আৰু বস্তু বন্ধা চতা কৰা দীঘল ৰচি কৰিছিল । টকৌ

পাত তাল পাতৰ বৰ জাপি, সৰুদৈয়া জাপি, আৰোৱান, দীঘল নালৰ ঘূৰণীয়া বিচনি, ঘূৰণীয়া আগখৰা বিচনি চৈ, চাউনিৰ চালি। চেৰা গছৰ তুলাৰ পৰা টিঙ্গিৰি জ্বলোৱা তুলা উলিয়াইছিল ।

লিখা শিল্প, মহী, বোল
Barkleaf, ink, Paint etc.

সেই সময়ত লিখাৰ ঘাই বস্তু আছিল সাঁচি গছৰ চালৰ পাত। ইয়াক কেনেকৈ কৰিছিল তাক গেইট চাহাবৰ অসম বুৰঞ্জীৰ শেষ ফাললৈ চাব। তাৰোপৰি ভূজ পত্ৰ, চালত, তাল পাতত, মৃগা কাপোৰত হাতী দাতৰ পাতত, আৰু তুলাপাতত না না ধৰণৰ ধৰ্ম্মশাস্ত্ৰ, বুৰঞ্জী আদি লিখিছিল। এসময়ত জয়ন্তীয়া ৰজাই আহোম ৰজাক তুলাপাত ২০০ টা দিছিল। তুলা পাতেৰে পেড়া কাকত লিখিছিল। এই তুলা পাত শিমলু তুলাৰে কৰিছিল বুলি কোৱা শুনিবলৈ পোৱা যায়। তুলা পাতৰ পেড়া কাকত, মৃগাৰ কাপোৰত লিখা পুথি তাল পাতৰ পুথি, ভূজপত্ৰ আৰু সাঁচি পাতৰ পুথি আমি নিজে দেখিছোঁ। ইয়াৰ ওপৰিও তামৰ ফলিত, কাঁহৰ ফলিত পিতলৰ ফলিত আখৰ কটীয়া খেলে লিখিছিল। গৌৰী বল্লভ দ'লৰ বৃহৎ তামৰ ফলি থুলুক গৰীয়াই কৰিছিল বুলি আছে।

পুৰণা মহী বা চিঞাঁহি, শিলিখা, আমলখী, এলান্ধু, আৰু অন্যান্য গছৰ চালেৰে তৈয়াৰ হৈছিল। সেই চিঞাঁহিৰ লিখা শ শ বছৰ ধৰি আছে। তিতা কানিৰে মুচিলে সি বিয়পী পৰক চাৰি চক্‌চকীয়াহে হয়। তেনেকৈ মহী আৰু লাৰে বোলাই আখৰ লিখা পুথিও আছে। গছৰ পাতেৰে কহ লগোৱা বিদ্যা লোপ পাইছে।

সেই সময়ত চিঠি দিয়াৰ নিয়ম— "সোণ চৰোৱা পাতত ফার্চী, নাগেৰী বা অসমীয়া আখৰেৰে লিখি খামত ভৰাই, লাৰে চাব মাৰি সেই খাম উত্তম সিংখাপৰ মোনাত ভৰাই কটকীক দিয়ে"— (অঃ বুঃ ১২৯১)

চিত্ৰ আদি অঁকাত আমাৰ দেশৰ খনিকৰে গছৰ পাতৰ, এঠাৰ, আৰু অন্যান্য বস্তুৰে কৰা বোল বা ৰং এতিয়া লোপ পাইছে। "কুমৰ হৰণ" পুথি, হস্তী বিদ্যার্ণৱ; আৰু এখন হাতী পুথি, আমি দেখিবলৈ পাইছিলো। এই পুথি কেইখনৰ পাতে পাতে না না ৰং বেৰঙ্গৰ চিত্ৰ আছে। এই ৰঙ্গৰ ছবি বিলাক আজিও নতুন হৈ আছে। এই ৰং কিহেৰে কৰিছিল তাক এতিয়া কোৱা লোক কম। কাপোৰ কানিত বোল দিয়া, আঁচু বোলোৱা না না গছ, লতাৰ কথা আমাৰ মানুহে সমূলিকে পাহৰিলে। পৰ্ব্বতীয়া লোক সকলে এতিয়াও সেই বিলাক ব্যৱহাৰ কৰি আছে। আখৰতো সোণোৱালী পানী চৰোৱা পুথি আছে। অদৃশ্য চিঠি-পত্ৰ বিলাক কেচুৰ ৰসেৰে লিখিছিল। কোচ ৰজাৰ তেনে ধৰণৰ অদৃশ্য আখৰেৰে লিখা চিঠি এখন গড় গাওঁৰ কাৰেঙ্গত এজন কাকতিয়ে মতাত "পছে ৺ এ বোলে

আন্ধাৰতে যে কাকত মাতিলে কাঠক মানিক নাম দি বঁটা প্ৰসাদ দিলে” মহাপুৰুষ শঙ্কৰ দেৱৰ সময়ৰে পৰা লিখা অঁকা, ৰহণ কৰা, আদি শিল্পৰ বিশেষ উন্নতি সাধন হয়।

টিঙ্গিৰি (Match Box)

টিঙ্গিৰি নহলে জুই নালাগে। জুই বাঁহ আগতে নাছিল। এডালি সৰু লোৰ শলখা আৰু চেৰা তুলালৈ, শিল টুকুৰাত শলাডালেৰে অঁাচুৰ এটা মাৰি তুলাখিনি চপাই দিলেই জুই লাগে। সেই শিলৰ নাম আৰু সেই শলখাৰ নাম জনা নাযায়। শিৱসাগৰত টিঙ্গিৰি কৰা পাইক আৰু সেই নামৰ গাওঁ আছে। পৰ্ব্বতীয়া সকলে অকল এবিধ শিলৰ পৰাই নতুবা বৰ টান কাঠে কাঠে ঘহঁনা খুওৱাই জুই লগাইছিল।

কয়লা বা নাগমাটি (Coal)

ইং ১৮৪৪ চনতে নামচাং পৰ্ব্বতৰ পৰা মনিৰাম দেৱানে কয়লা অনাই দিখৌ মুখত দিছিল। সেই সময়ৰ এচিচটেণ্ট কমিশ্যনাৰ জনে নিৰামৱ ডেকা ফুকনক

কয়লাৰ ঠিকাদাৰ পাতে। (মনিৰাম দেৱান) খাচিয়া নগা বিলাকে বহু দিনৰে পৰা নাগ মাটিৰ সম্পৰ্কে জানিছিল কিন্তু ব্যৱহাৰ কৰাৰ কথা পোৱা নায় তাৰ পাচতে গাৰো বিলাকে নাগ মাটিৰ কথা জানে। ১৮৭৫ চনত তিৰাপৰ পৰা দিখৌলৈ ৫টা কয়লাৰ খাট আবিস্কাৰ হয় যেনে— মাকুম, জয়পুৰ, নাজিৰা, জাঁজী, দিখৌ।

মূৰ্ত্তি, পুতলা আৰু মুখা
(Doll, toys and masks)

পুৰণা পুথি, বুৰঞ্জী আদিত পুতলা আদিৰ সম্পৰ্কে বিশেষ কথা নাপালেও মাটিৰ তলত পোৱা সোণ, ৰূপ, পিতল, তাম, আঠ ধাতুৰ, শিল, মাটিৰ না না ধৰণৰ পুতলা বিলাকৰ পৰা অনুমান কৰিব পাৰি যে অসমত নিশ্চয় পুতলা শিল্প আছিল। ই উচ্চ খাপৰ আছিল। পৰ্ব্বতীয়া সকলে কাঠ, হাড়, গছৰ শিপা আদিৰ পৰা না না পুতলা কৰিছিল।

এই বিলাকৰ ওপৰিও কাপোৰৰ পুতলা সাজি লৰা ছোৱালী উমলাৰ কথা তাহানিলৈকে আছিল। পুতলা সাজি পুতলা ভাৰনা কৰাৰ কথা সকলোৱে জানে।

মুখা সজাত আমাৰ মানুহ পাৰ্গত আছিল।

ভাৱনা আদিত ডাঙ্গৰৰ পৰা সকলৈকে না না মুখা সাজি তাৰে দৰ্শকক আমোদ দিছিল। এই মুখাবিলাক সাধাৰণতে বাঁহ বেতৰে সাজি কাপোৰ মেৰাই তাত ৰং দি কৰিছিল। তাৰোপৰি মৰাপাটৰ কাপোৰ, জন্তুৰ চাল, পাখি আদিৰেও না না মুখা সাজিছিল।

মহাপুৰুষ শ্ৰীশঙ্কৰ দেৱৰ দিনৰে পৰা এই শিল্পৰ প্ৰচাৰ আৰু উন্নতি হয়। মুখা শিল্প সৰ্ব্ব ভাৰতীয়। শিল, তাম, পিতল, কঁাহ, কাঠ মাটিৰ অসংখ্য দেৱ দেৱী আৰু অন্যান্য মূৰ্ত্তি সজা হৈছিল। এই বিলাকৰ সম্পৰ্কে ওপৰত উল্লেখ কৰা হৈছে।

অন্যান্য শিল্প

এই শিল্প বিলাকৰ ওপৰিও ওপৰত মাজে মাজে উল্লেখ কৰা তেলীশাল, কুঁহিয়াৰ শাল, চেপাশাল, উৰাল, সূতা কতা বিভিন্ন যঁতৰ নেউঠনী, ভাৰঁৰী, কাপোৰ বোৱা তাত শালৰ আহিলা, হাল বোৱা আহিলা পাতি, মাটি কামৰ আহিলা পাতি, ধাতুৰ শাল বিলাক, গাড়ী, আদি অনেক বস্তু বনোৱা যন্ত্ৰ পাতি আছিল। তাৰে কিছুমান এতিয়াও আছে আৰু কিছুমান লোপ পাইছে।

—(*)—